# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

ধর্মের কলহ দ্বাদশ অধ্যায়


| বিষয় | পৃষ্ঠা |
|---|---|
| সাদরের দুঃখ | ৩২৯ |
| শ্রী কৃষ্ণ কথা | ৩৩৩ |
| হজরত মহম্মদের অন্তিম উপদেশ আর মুসলমান | ৩৪১ |
| হিন্দু-সংহিতাতে শূদ্রের অধিকার | ৩৪৫ |
| গাম্ভীর | ৩৪৭ |
| হরিচরণের বিয়া | ৩৫৯ |
| বিয়ানায় | ৩৬৬ |
| চন্দ্র মানুষ | ৩৬৭ |
| গীত | ৩৬৮ |

## সম্পাদকৰ চৰা।

—o—

নেমুটেঙাৰ অশেষ গুণ। মানুহৰ গা চিকুণাবৰ নিমিত্তে নেমুৰ ৰস বৰ বঢ়িয়া। নেমুটেঙাৰ ছকলা বা জিন থকা খোলাৰে হাত ধুলে হাত বৰ নিকা হয়। নেমুটেঙা এটা পুৰি লৈ তাৰে আমাৰ অসমীয়া মানুহে মুখ ধুই মুখৰ উকি, খজুৱতি ইত্যাদি গুচায়। এইটো বৰ ভাল উপায়; এই দৰে মুখ ধুলে চুলিও নসৰা হয়। বাস্তৱিকতে নেমুটেঙাৰ ৰস তপত বা চেচা পানীত সানি সেই পানীৰে গা ধুলে গা বৰ নিকা হয়, আৰু গাৰ ঘামচি নৰে। দাঁত, মুখ, গল, পৰিষ্কাৰ কৰিবলৈকো নেমুটেঙা বৰ ভাল বস্তু। এবাটি পানীত নেমুটেঙাৰ ৰস দুটোপা-চাৰিটোপা দি চকু ধুলে চকুৰ জেউতি চৰে, জোতা পিন্ধি ভৰিত কাঠ বান্ধিলে নেমুটেঙা এডোখৰেৰে তাত কেইবাবাৰো ঘঁহি থাকিলে সেইটো লাহে লাহে গুচে। ডিস্পেপ্সিয়া আৰু গাউট অৰ্থাৎ বিষৰ বেমাৰ আৰু পানীলগাতো নেমুটেঙা বৰ উপকাৰী। ভাত খোৱাৰ এঘণ্টা মানৰ আগতে এটা নেমুৰ ৰস চেপি লৈ তাত পানী নিমিহলোৱাকৈ দিনো খালে, liver যকৃত বৰ ভালে থাকে। বহুমূত্ৰৰোগতো নেমুৰ ৰস ভাল। তপত বা চেচা পানীত নেমুটেঙাৰ ৰস মিহলাই খালে পিত্ত নাশ হয়। পানীলগা হলে শুৱৰ আগতে তপত পানীত নেমুটেঙাৰ ৰস মিহলাই খাই শুই থাকিলে, উপকাৰ পোৱা যায়। বৰ গাধাল মানুহে যদি দিনো ৰাতিপুৱা শুই উঠিয়েই প্ৰথমতে নেমুটেঙাৰ তপত কৰা ৰস খায়, আৰু শুবলৈ যোৱাৰ আগতেও তাকে কৰে, তেন্তে তেওঁৰ গাৰ মঙহ কমি গাটো সাধাৰণ জোখৰ হব। নেমুটেঙা এছকলৰে ঘঁহি, কাপোৰত লগা চিয়াহিৰ বা আন কোনো দাগ গুচাব পাৰি। দাগত নেমুটেঙা ঘঁহি অলপমান ৰেলি বদত কাপোৰখন থৈ দিব লাগে। নেমুটেঙাৰ বাকলিৰপৰা তেল ( lemon oil ) বা essence of lemon হয়। নেমুৰ বাকলি মিঠাইত ( cakes and sweetmeats ) ব্যৱহাৰ হয়। কাপোৰ

ধুৰৈলৈ যুগুত কৰা পানীতো ছকলচেবেক নেমুটেঙা পেলাই থৈ সেই পানীৰে কাপোৰ ধুলে কাপোৰ বগলীৰ পাখি যেন বগা হয়।

• • •

প্ৰায় তিনি শ বছৰৰ আগেয়ে পেৰুত স্পেইনৰ ৰাজপ্ৰতিনিধি এজন আছিল, তেওঁৰ নাম কাউন্ট চিন্‌কনা (Count Chinchona) তেওঁৰ ঘৈণীয়েকৰ জ্বৰ হৈ মানুহজনী মৰিব লগীয়া হৈছিল। ডাক্তৰে কাউন্টেচক সকলো ৰকমৰ চিকিৎসা কৰিও যেতিয়া ভাল কৰিব নোৱাৰিলে, কাউন্টেচৰ চাকৰ এটাই (আমেৰিকাৰ আদিবাসী জাতৰ) এজোপা গছৰ ছাল সিজাই কাথ কৰি সেই কাথ খুৱাই তেওঁৰ জ্বৰ এক্কাই তেওঁক ভাল কৰিলে। কাউন্টেচে সেই গছৰ ছাল কিছুমান তেওঁ স্পেইনলৈ উভতি আহোঁতে লগত লৈ আহিছিল। তেতিয়াৰ-পৰা লাহে লাহে সেই গছৰ ছালৰ গুণৰ বিষয়ে য়ুৰোপত সকলোৰে মাজত বিয়পি পৰিল। লিনিয়াস (Linnaeus) নামেৰে চুইডেনৰ ডাঙৰ বটানিষ্ট অৰ্থাৎ উদ্ভিদ্ বিজ্ঞাত পণ্ডিত এজনে কাউন্টেচৰ নামেৰে সেই গছৰ নাম ৰাখিলে চিনকনা। চিনকনাৰপৰাই কুইনিন প্ৰস্তুত হয়। পেৰু ভাষাত কুইনা-কুইনা ("quina-quina" অৰ্থাৎ ছালৰ ভিতৰৰ ছাল) শব্দৰপৰা কুইনিন শব্দ ওলাইছে। মেলেৰিয়া জ্বৰ কুইনিন মহৌষধ। এই কুইনিনে যে পৃথিবীৰ মনুষ্যসমাজৰ কি মহৎ উপকাৰ কৰিছে, তাক কৈ ওৰ পেলাব নোৱাৰি।

• • •

পৃথিবীত হোৱা ডাঙৰ ডাঙৰ যুদ্ধবোৰলৈ মন কৰিলে দেখি, যে শত্ৰুৰ মাজত কোনো এটা "surprise অৰ্থাৎ আগেয়ে নেদেখা-নুশুনা ভীষণ বস্তু এটা উলিয়াই দিব পাৰিলে শত্ৰুক ভয় খুৱাই ঘটুৱাব পাৰি। বৰ্ত্তমান যুদ্ধত ফ্ৰান্সত হোৱা সোমনৈৰ (the Somme) যুদ্ধলৈ মন কৰিলেও সেইটোকে দেখি। যুদ্ধৰ Heavy armoured cars (অৰ্থাৎ এক ৰকম যুদ্ধাস্ত্ৰৰে পৰিপূৰ্ণ আৰু হিতৈৰ গুলি নোসোমোৱা মটৰ গাড়ী, যাৰ নাম দিয়া হৈছে "টেঙ্ক") ইংৰাজে উলিয়াই সেই গাড়ী যুদ্ধ ক্ষেত্ৰলৈ নি সেইস যুদ্ধ জিকিল বুলিব লাগে। পূৰণি কালত গ্ৰীকবিলাকে ত্ৰয় যুদ্ধ জিকিছিল,—ডাঙৰ কঠোৰ ঘোঁৰাৰ পেটত সোমাই লুকাই থাকি ৰাতি নগৰৰ দুৱাৰ গ্ৰীক সৈন্যৰ নিমিত্তে মুকলি কৰি দি। পাইৰচে



(Pyrrpus) ৰোমাণবিলাকেৰে সৈতে যুদ্ধত প্ৰথমতে হাতী (গজ) উলিয়াই দিলত ৰোমাণবিলাক ভয়ত পলালত তেওঁ সেই যুদ্ধ জিকিলে। কাৰ্থেজৰ বিখ্যাত জেনেৰেল হানিবলে প্ৰধান এল্প পৰ্ব্বতৰ বাটটো কেতিয়াও অধিকাৰ কৰিব নোৱাৰিলেহেঁতেন যদি তেওঁ এন্ধাৰ ৰাতি ২০০০ বলদ গৰুৰ শিঙত জ্বালি বান্ধি দি ৰোমাণবিলাকৰ শিবিৰৰ ফালে সেই গৰুবোৰ খেদি নপঠিয়ালেহেঁতেন। জৰ্ম্মাণবিলাকেও বৰ্ত্তমান যুদ্ধৰ আগডোখৰত, দুৰ্ভেদ্য দুৰ্গকো মাটিৰে সৈতে সমান কৰি পেলোৱা অদ্ভুত হাউৱেট্‌জৰবোৰ উলিয়ায়েই বেলজিয়ম আৰু উত্তৰ ফ্ৰান্স দখল কৰিছিল।

• • •

এমন ডাঙৰ ইংৰাজী বাতৰি কাকতৰপৰা আমি এইকেইফাকি তুলি দিলোঁ।—"A German official census of the population in occupied Russian districts reveals the existence in a Courland village of a woman, a Lett, who has altained the extraordinary age of 119 Years" ইয়াৰ মানে কোৰলেণ্ডৰ গাওঁ এখনত এজনী ১১৯ বছৰীয়া তিৰুতা থকাটো জৰ্ম্মাণীৰ চৰকাৰী "চেন্‌চচ ৰিপোৰ্টত" দেখা গৈছে। শুদ্ধাচাৰী হৈ নীতি নিয়মেৰে থাকিলে যে মানুহ দীৰ্ঘায়ু হব পাৰে সেইটো ভাৰতৰ হিন্দুৱে জানে। ইংৰাজ সেইটো চাহাবে তাকে নাজানিহে মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জীয়াই থকা কাল ১১৯ বছৰ দেখি তেওঁৰ জন্ম শকৰ ওপৰত তেওঁৰ বুৰঞ্জীত সন্দেহ প্ৰকাশ কৰিছিল।

• • •

এই সংসাৰত বিখ্যাত হোৱা অনেক ডাঙৰ মানুহ genius তেওঁলোকৰ ঘৰুৱা জীৱনত বা সাধাৰণ ভাৱে যাপন কৰা জীৱনত,মূৰ্খ বা ভোদা মানুহৰ শ্ৰেণীৰপৰা সৰহ আঁতৰত নপৰে। বিখ্যাত witty গল্প লেখক ফৰাচী গ্ৰন্থকাৰ লা ফন্টেন, (La fontaine), বিখ্যাত দাৰ্শনিক পণ্ডিত ডেকাৰ্টে (Decartes), বফুন (Buffon the naturalist) এওঁলোক কথা-বাৰ্ত্তাত অতি dull ভোটা আছিল। বিখ্যাত সঙ্গীত কলাবিদ্ চুবৰ্ট (Schubert the great composer) বৰ লাজকুৰীয়া আৰু ভয়াতুৰ আছিল। তেওঁৰ বন্ধু এজনে তেওঁৰ বিষয়ে কৈছিল যে তেওঁক এটা ঠিকাগাড়ীৰ গাড়োৱান যেন দেখি। লৰ্ড মেকলে ত্ৰিনিটি কলেজত ছাত্ৰাৱস্থাত বুদ্ধিমান লৰা বুলি খ্যাতি আৰ্জ্জিব নোৱাৰিছিল। লেই হণ্ট (Leigh

Hunt) কবি আৰু essayist ৰচনা লেখকবুলি বিখ্যাত। বাইৰণ আৰু কলেৰিজ তেওঁৰ বন্ধু। কিন্তু তেওঁ multiplication table অৰ্থাৎ পুৰণৰ নেওতাখন একোপধ্যে মুখস্থ কৰিব নোৱাৰি সদায় আহুকালত পৰিছিল। বিখ্যাত এমেৰিকান গ্ৰন্থকাৰ ওৱাচিংটন আৰ্ভিঙ্ (Washighiton Irvinig) সৰু ডোখৰত মূৰ্খ লৰা বুলিহে জনাজাত আছিল। তেওঁৰ ভায়েকহঁতক কলেজত পঢ়িবলৈ পঠিওৱা হল, কিন্তু তেওঁ নপঢ়ি নুগুনি টৌটৌকৰে ঘুৰি কটাইছিল। চাৰ্লচ্ লেম্ব (Charles Lamb) বৰ খোনা আৰু shy লাজকুৰীয়া আছিল, সেই বাবেই তেওঁ কোনো বিশ্ববিদ্যালয়ত প্ৰবেশ লাভ কৰিব নোৱাৰিলে। ফ্ৰান্সৰ ডাঙৰ নাট ৰচোঁতা কৰ্ণেলি ( Corneille ) সমাজত ( socitey ) পেপুৱা লাগি পৰিছিল, তেনে ঠাইত তেওঁৰ মুখৰপৰা থকন্দা ভাগি মাত নোলাইছিল। সেই দেখি তেওঁ নিজেই ৰহইচ কৰি কবিতা লেখি গৈছে যে তেওঁৰ কথা কাপৰ মুখেদি ওলালেহে বুজিব পৰা হয়।

• • •

কাকতত কাপৰ মুখৰপৰা ৰহইচৰ কথা ওলালেই যে লেখকজনৰ মুখৰপৰা কথা-বাৰ্ত্তাতো ওলায়, এইটো সদায় ঠিক নহয়। "হুডিব্ৰাচ" ( Hudebras ) নামেৰে কিতাপৰ গ্ৰন্থকাৰ বটলৰৰ ( Butler ) কিতাপটো পঢ়ি মোহিত হৈ বিলাতৰ ৰজা দ্বিতীয় চাৰ্লচে এদিন ভেশচন কৰি তেওঁৰে সৈতে দেখা কৰিবলৈ গৈছিল। ৰজা বৰ witty ৰসিক আৰু ৰহইচ কৰিব পৰা আছিল। তেওঁ বটলৰেৰে সৈতে সাক্ষাৎ কৰি উভতি আহি কৈছিল "So stupid a fellow could never have written so clever a book." অৰ্থাৎ এনে এখন ভাল কিতাপ এই এনে মূৰ্খটোৱে কেতিয়াও লেখিব নোৱাৰে। এডিচন, যাৰ ৰচনা ইংৰাজী শব্দ যোজনা আৰু বাক্যবিন্যাস প্ৰণালীৰ আৰ্হি বুলি সকলোৱে বিবেচনা কৰে, সমাজত লাজকুৰীয়া আৰু মুখেৰে মাতিব নোৱৰা আছিল; আন কি আচিনাকী মানুহ এজন আগলৈ আহিলে, তেওঁৰ কথাত খোতামোজা লাগি পৰিছিল। দান্তেইও ( Dante ) কথাবাৰ্ত্তা সহজে নকৈছিল, আৰু যি অলপ কৈছিল, সিও বিদ্ৰূপাত্মক। মিল্‌টন unsociable অৰ্থাৎ লোকৰ লগত কথাবাৰ্ত্তা পাতি মিলিব পৰা স্বভাৱৰ নাছিল। বৰং আনে তেওঁক কথালৈ টানিলে, অনেক সময়ত তেওঁৰ খং উঠিছিল।



ভগা কাচ ( glass ) জোৰা দিবৰ উপায়। ( ১ ) আইচিং গ্লাচ ( is in-glass ) বুলি এবিধ বস্তু বজাৰত পোৱা যায়। স্পিৰিট-অব-ৱাইনত (Sprits of wine) আইচিংগ্লাচ পেলাই দি তাত অলপ পানী দি গলাবা। উমা জুইৰ ওপৰত সেই মিহলোৱা বস্তু তপত কৰিবা। অলপৰ পিছত সি এনে এঠা হৈ পৰিব যে তাৰে ভগা কাচ জোৰা লাগিব; আৰু ভালকৈ জোৰাব জানিলে, জোৰাৰ দাগেই নাথাকে।

• • •

( ২ ) কণী এটা ভাঙি তাৰ ভিতৰৰ বগাবোৰ এখন থালত বা এটা বাটীত বৰকৈ ঘুটিবা। তাত, চাহখোৱা চনৰ আধ চন পানী দি আকৌ ভালকৈ ঘুটিবা। ৰাতি সেইদৰেই তাক বাটীতে বা থালতে থৈ দিবা। পিছ দিনা তাত এখন ছুৰি কটাৰীৰ আগেৰে অলপ চুণ পেলাই দি মিহলাবা। এই এঠা বঢ়িয়া হয়, আৰু তাৰে কাচকে আদি কৰি অনেক ভগা বস্তু জোৰাব পাৰি।

---

# শ্ৰীকৃষ্ণ-কথা।

দেৱতাসকল ঈশ্বৰ নহয়, শ্ৰেষ্ঠ জীৱ মাথোন। মানুহেই সৎ কাৰ্য্যৰ দ্বাৰাই ক্ৰমোন্নতি কৰি দেৱতাৰ পদ লাভ কৰিছে, আৰু কৰিব পাৰে। তেওঁলোকো সেইদেখি ঈশ্বৰৰ মায়া-বন্ধনত বদ্ধ। তেওঁলোক শ্ৰেষ্ঠ জীৱ বুলি আমাৰ নমস্য। তেওঁলোকৰ গাতও ৰাগ, মোহ, দ্বেষ, মাৎসৰ্য্য আদি কম-বেছি ৰকমে আছে। এই পৃথিবীতে আমি দেখিবলৈ পাওঁ, যাক আমি সামাজিক অৱস্থাত জ্ঞান, বিদ্যা, বুদ্ধি আদিত শ্ৰেষ্ঠ শ্ৰেণীৰ মানুহ বুলি জানো, তেওঁলোকৰ গাতো সময় নতে এই প্ৰবৃত্তিবোৰ ফুটি ওলায়। ঈশ্বৰৰ বিশ্বৰাজ্য চলাবৰ নিমিত্তে সকলোৰে প্ৰয়োজন। মানুহতকৈ ওপৰ থাপৰ দেৱতাসকলোৰো আৱশ্যকতা আছে। মানুহৰপৰা আৰম্ভ কৰি ঈশ্বৰৰ ওচৰলৈকে খোপে খোপে ওখ অৱস্থাপন্ন দেৱতা বিষয়াসকল জগৎ-যন্ত্ৰীৰ জগৎযন্ত্ৰ চলাবৰ নিমিত্তে আছে। ইমূৰে মানুহ আৰু সিমূৰে ঈশ্বৰ, মাজত শূন্য, এই ধাৰণাৰ যুক্তি নাই।

পৃথিবীতে দেখা যায় যে ৰজা আৰু প্ৰজাৰ মাজত ৰজাৰ ৰাজ্যপৰিচালক কাৰ্য্যকাৰক এই ৰূপে মহামন্ত্ৰী, আৰু ৰাজপ্ৰতিনিধিবৰ্গৰ পৰা টেকেলা পিয়দা-লৈকে আছে; আৰু ৰাজকাৰ্য্য সুচাৰুৰূপে নিৰ্ব্বাহ হবাৰ নিমিত্তে এই প্ৰণালী আৱশ্যকীয়। কোনো দুখীয়া প্ৰজাই যদি নিজৰ দুখ-নিবেদন কৰিবৰ নিমিত্তে একেবাৰেই ৰজাৰ কাষত/ দৰখাস্ত "পেচ" কৰিব খোজে, তেন্তে মাজৰ বিষয়াসকলে তেনে কৰিব নিদিয়ে, আৰু পদে পদে সেই জনক বাধা প্ৰদান কৰে, কাৰণ তেওঁলোক ৰজাৰ ৰাজ্য শাসন প্ৰণালীৰ custodian ৰক্ষক। কিন্তু কোনো "নাছোৰবান্দা" প্ৰজাই যদি মৰো-জীও-সোঁ-আধি কৰি নানা প্ৰযত্ন কৰি কেনেবাকৈ তেওঁৰ প্ৰকৃত দুখৰ কথা ৰজাৰ কাণত পেলাব পাৰে, তেন্তে দয়ালু ৰজাই তেওঁৰ দুখ redress মোচন এক মুহূৰ্ত্ততে কৰে। আগৰ দিনৰ সম্ৰাটসকলে ৰাজ্যপৰিচালনযন্ত্ৰ সম্পূৰ্ণৰূপে চলি থকা স্বত্তেও, ভেশ ছন কৰি ৰাতি দুখীয়া প্ৰজাৰ ঘৰে ঘৰে সোমাই, সিহঁতেৰে সৈতে মিলি সিহঁতৰ অভাৱ দুখ কষ্ট জানি বুজি লৈ সেই দুখ কষ্ট বিমোচন কৰাৰ কথা ইতিহাস বুৰঞ্জীৰ পাতত অনেক লেখা আছে। কলিকতালৈ আমাৰ সম্ৰাট পঞ্চমজৰ্জ্জ আহোঁতে, তেওঁৰ ওচৰলৈ দুখীয়া প্ৰজাক আগবাঢ়ি যাব নিদিয়াকৈ ৰাখোতা তেওঁৰ বিষয়াসকলক ঠেলি তেওঁ কেইবাবেলিও তেওঁৰ প্ৰজাৰ সমুখ হৈ প্ৰজাৰ অভাৱ-অভিযোগ শুনাৰ কথা অনেকে জানে। ইয়াৰ দ্বাৰাই তেওঁ এনেটো বুজোৱা নাছিল, যে তেওঁৰ ৰাজ্যৰ নিয়ম ভঙ্গ কৰি, তেওঁৰ বিষয়াসকলক অমান্য কৰি প্ৰজাই "একদম" তেওঁৰ কাষ পাব লাগে, আৰু মাথোন তেওঁকেহে মানিব লাগে। ঈশ্বৰো এনে ইচ্ছা নহয়, যে তেওঁৰ দেৱতা কাৰ্য্যকাৰকসকলক অমৰ্য্যাদা কৰি বিশ্বৰাজ্যৰ নিয়ম উলঙ্ঘা কৰি সকলো মানুহ তেওঁৰ ওচৰলৈ পোনবাটে লৰিব লাগিব। কিন্তু তেওঁৰ যিসকল প্ৰজা বা ভক্তই তেওঁৰ বিষয়া দেৱতাসকলে দিব পৰা ধন, সম্পদ, ঐশ্বৰ্য্য বিভূতি, আন কি স্বৰ্গসুখো নিবিচাৰে, মাথোন একান্তভাৱে তেওঁৰ পাদপদ্ম সেৱা-সুখহে বিচাৰে, সেইসকলে যে অনাহকতে মাজতে দেৱতাসকলৰ ওচৰত dancing attendence কৰি অৰ্থাৎ দেৱতাসকলক সন্তুষ্ট কৰি সময় নিয়াই, বাধা পাই, আচল কাৰ্য্য লাভৰপৰা বঞ্চিত হব বা delayed বিলম্বিত হৈ থাকিব, কৃপালু পৰমেশ্বৰৰ তেনে ইচ্ছা নহয়। সেইদেখি



সংসাৰত নিস্পৃহ একান্ত ভকতক তেওঁ তেওঁৰ ওচৰলৈ বিনা প্ৰতিবন্ধকে একেবাৰেই যাবলৈ passport ছাৰ-পত্ৰ দিছে। যি এই সংসাৰৰ সকলো সুবিধা লাভ বিচাৰে, তেওঁ বটুক ভৈৰৱৰেপৰা আৰম্ভ কৰি ব্ৰহ্মালৈকে পূজা কৰি আৰু সেই অনুসাৰে সেই সংসাৰীয়ে ফলভোগ কৰি লৈ থাওক, তেওঁ প্ৰত্যেক নিয়ম পালন কৰক, নিয়ম ভঙ্গ কৰিলে দণ্ডিত হওক। সেইদেখি শাস্ত্ৰত কৈছে—"অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ

জানিবাহা হৈবেক নিশ্চয়।

পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল

তাৰ একো নাহিকে নিৰ্ণয়॥"

অবিৰক্ত মানে সংসাৰী অৰ্থাৎ সংসাৰ-ৰাজ্যত থাপি পুতি বাস কৰি থকা বা থাকিব খোজা, ধন, সম্পদ, জন, পৰিয়ালেৰে সুখত থাকিব খোজা মানুহ। বেদ মানে, সংসাৰ চলাবৰ নিমিত্তে ঈশ্বৰৰ Legislative Council-অত অৰ্থাৎ আইন-সভাত যিবোৰ আইন "পাছ" হৈছে সেইবোৰ। পৰম বিৰক্ত মানে, যি সংসাৰৰ সুখ-সম্পদ একো নিবিচাৰে আৰু পালেও তাত তেওঁৰ প্ৰয়োজন নাই, নিৰ্লিপ্তভাৱে মাত্ৰ জীৱনযাত্ৰাৰ কৰ্ত্তব্য কৰি যায় সেইসকল।

এই বিৰক্ত ভক্তসকলে হৰিত শৰণ লৈ মাথোন হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰি, দুৰ্ঘোৰ অপাৰ সংসাৰ অপ্ৰয়াসে তৰে।

"হৰিত শৰণ লৈয়া যিটোজনে এ,
হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।
দুৰ্ঘোৰ অপাৰ সংসাৰ-সাগৰ এ,
সিটো মহাজনে অতি অপ্ৰয়াসে তৰে॥"

বিশ্বৰাজ্যৰ ৰজাৰ আমোলা দেৱতাসকলৰ charge-অত থকা বৰ্ণাশ্ৰমী সকলে নিশ্চয় বৰ্ণাশ্ৰমধৰ্ম্ম প্ৰতিপালন কৰি চলিবই লাগিব, নকৰিলে তেওঁলোক দোষী হব; কিন্তু অকল হৰিনামকে সাৰ কৰি একান্ত মনে ধৰি লোৱাসকল এই নিয়মৰ বহিৰ্ভূত, ভগৱন্তৰ ৰাজ্য চলোৱা ডাঙৰ বিষয়া বুলি দেৱতাসকলে তেওঁলোকৰপৰা এটা nod or bow, চেলাম বা নমস্কাৰ পাবৰ মাথোন অধিকাৰী।

"বৰ্ণাশ্ৰম ধৰ্ম্ম যত যাৰ যেন বিধি আছে
তাৰে সে কেৱল অধিকাৰ।
হৰিনাম কীৰ্ত্তনত নাহিকে নিয়ম একো।
এতেকেসে ধৰ্ম্মমাজে সাৰ ॥"

যি হওক, Buracracyৰ অঙ্গপ্ৰত্যঙ্গ আমোলা দেৱতাসকলোতো ঈশ্বৰৰ চাকৰ হে আৰু তেওঁৰ প্ৰভাৱ অৰ্থাৎ মায়াৰ বান্ধোনৰপৰা মুক্ত নহয়, সেই দেখি তেওঁলোকে নিজৰ ক্ষমতা যোল আনা ৰক্ষা কৰিবৰ ইচ্ছা কৰে, আৰু ঈশ্বৰৰ একান্ত সেৱকসকলে তেওঁলোকৰ current law প্ৰচলিত বিধিৰ পাকত নোসোমাই, পোন বাটে ভগৱন্তৰ কাষলৈ যোৱাত বা যাবলৈ চেষ্টা কৰিলে কেতিয়াবা কেতিয়াবা দেৱতাসকলে ক্ষুণ্ণ হৈ থং কৰি নিজৰ সীমা পাহৰি, এনে ভকতক জব্দ কৰিবলৈ যায়, আৰু ফলত নিজেই জব্দ হৈ নিজৰ গালৈকে বিলাই-বিপত্তি আনে।

"ৰামকৃষ্ণ ভাবিতে ত্যজয় কালসাপে।
হৰি ভকতক দুখ দিবে কাৰ বাপে ॥" ঘোষা।

হৰিৰ একান্ত দাস special passport বিশেষ ছাৰ-পত্ৰ পোৱা বৃন্দাবনবাসী হৰিভক্তসকলক দেৱতাসকলে নুবুজি, বা ভালকৈ বুজিব নোৱাৰি, অথবা বুজিও নিজৰ ক্ষমতা-মদিৰাত মত্ত হৈ আত্মবিস্মৃত হৈ বলেৰে নিজৰ শাসনলৈ আনিবলৈ গৈ এইবাৰেই লাঞ্ছিত হৈছিল। আনৰ কথাকে নেলাগে দেৱতাসকলৰ আদি দেৱতা ব্ৰহ্মায়েই সেই বাটে চলি ঠেকা খাইছিল। অন্তত অখিল বিশ্বব্ৰহ্মাণ্ডপতি যাৰ লোমকূপত একো-একোটি ব্ৰহ্মাণ্ডই ধূলিৰ ৰেণুৰ নিচিনাকৈ নৃত্য কৰিব লাগিছে "ৰোমবিবৰমহ কোটী কোটী অণ্ড তাণ্ডব কৰু সম ৰেণুঃ" এনে জনক, তেওঁৰ বৃন্দাবনৰ ভক্তৰে সৈতে পৰীক্ষা কৰিবলৈ গৈ ব্ৰহ্মাৰ কি বিপদ হৈছিল, সেই কথা শ্ৰীমদ্ভাগৱতত ব্ৰহ্মমোহন ঘটনাত বিবৃত হৈছে। ব্ৰহ্মাই ভাবিলে, যি গৰু আৰু গৰখীয়া লৰাৰে সৈতে বৃন্দাবনত স্বচ্ছন্দে আহাৰ-বিহাৰ কৰি ফুৰিছে এওঁ নো কেনে ভগৱন্ত, এওঁক পৰীক্ষা কৰিয়েই চাওঁচোন। বিধিয়ে বিধিৰ শিকলিৰ ভিতৰেদিহে ভগৱন্তক দেখিছে, তাৰ বাহিৰলৈ তো তেওঁ যাব পৰা নাই; তেওঁৰ জ্ঞানৰ সীমা এইটো ব্ৰহ্মাণ্ডতেহে, যত তেওঁ সৃষ্টিকৰ্ত্তাৰ



বিষয়থন পাইছে। অখিলব্ৰহ্মাণ্ডপতিয়ে যে গোপশিশুৰ ৰূপ ধৰি, প্ৰেমৰ ৰাজ্য আনন্দৰ ধাম বৃন্দাবনত আনন্দময় গোপবালক আৰু গৰু-গাইসকলেৰে আনন্দলীলা কৰিছেহি, এইকেৰা তেওঁৰ জ্ঞানে চুকি নেপালে; সেইদেখি তেওঁ "ডবাৰ" (chess) চাল' এটা চলালে, আৰু ফলত নিজেই checkmated "মাত" হল।

"অনন্তৰে ব্ৰহ্মা আসি অঘ অসুৰৰ মোক্ষ
দেখি হুয়া পৰম বিস্মিত।
বালক কৃষ্ণৰ আৰু মহিমা দেখিবো বুলি
সেই বেলা মিলিল তহিত।
গোৰক্ষ দামুৰিচয় চুৰি কৰি যোগবলে
প্ৰবন্ধ কৰিয়া লুকাই থৈলা।
চাওঁ আৰে কেনেমতে কৃষ্ণ খুজি পান্ত বুলি
ব্ৰহ্মা নিজ থানে চলি গৈলা ॥"—দশম।

ব্ৰহ্মাৰ কাণ্ড দেখি ঈষৎ হাস্য কৰি আনন্দময়ে আনন্দলীলা কৰিবৰ মন কৰিলে।

"ব্ৰহ্মা যিবা আছে থই যাওঁ যদি তাকে লই,
নপাব আনন্দ সৃষ্টিকৰে।
হেন বিমৰিষ কৰি আপুনি ভৈলন্ত হৰি
গোৰক্ষ দামুৰি নিৰন্তৰ ॥"—দশম।

এবছৰৰ মূৰত (ব্ৰহ্মাৰ ক্ষণেক) ব্ৰহ্মাই, কৃষ্ণই গোৰক্ষ-দামুৰি বিহীন হৈ কি কৰিছে চাবলৈ আহিল।

"ব্ৰহ্মাৰ ক্ষণেক গৈল এক বৰিষেক।
পুনৰপি আসি ব্ৰহ্মা দেখিলা প্ৰত্যেক ॥
পূৰ্ব্বৱতে শিশু সব সমে ক্ৰীড়া কৰি।
বৎসচয় চৰান্তে আছন্ত দেৱহৰি ॥
মিলিল মনত আসি বিধিৰ বিস্ময়।
আনো আনিলন্ত সেই বৎস শিশুচয় ॥

এহি বুলি ব্ৰহ্মা পাছে গৈলা দৰদৰি।
দেখন্ত সমস্ত আছে শয়নত পৰি॥
আৰে জানো কতো নিলে বুলি গণি চালে।
যত গৈল মানে গোটে গোটে লেখা পালে॥
দুনাই দেখন্ত বিধি আসি তৈৰ হৰে।
এহিতো ততেক শিশু আছে ওমলন্তে॥
কৃষ্ণে ইটো গোৰক্ষ দামুৰি কৈত পালে।
এহি বুলি ব্ৰহ্মা চিৰকাল গুণি চালে॥
কোন সঁচা কোন মিছা নপাৰন্ত তত্ত্ব।
মিলিল পৰম মোহ ব্ৰহ্মাৰ মনত॥
একো সাৰ নিসাৰু নপাওঁ মনে গুণি।
কৃষ্ণক মোহন্তে মোহ ভৈলন্ত আপুনি॥
নিশবদ বিধি বুদ্ধি স্থিৰিতি টুটিল।
আপোনাৰ শৰে যেন আপুনি কুটিল॥

• • • •

শুনিয়ো আশ্চৰ্য্য আক আত অনন্তৰে।
তথা দিয়া চাই যেবে আছে সৃষ্টি কৰে॥
ব্ৰহ্মাৰ আগতে পাছে প্ৰভু নাৰায়ণে।
এৰিলন্ত সিটো সব মূৰ্ত্তিক তেক্ষণে॥
ধৰিলন্ত নিজ ৰূপ পৰম ঈশ্বৰে।
নিৰীক্ষি আছন্ত তাক চাই সৃষ্টিকৰে॥
শিঙ্গা বাঁশী বেত যত বৎস বৎসপাল।
ভৈল কৃষ্ণ মূৰ্ত্তি সবে তৈতে ততকাল॥

• • • •

একো ব্ৰহ্মাণ্ডৰ চৰাচৰ লৈয়া আসি।
গায়ে গায়ে একো ব্ৰহ্মা আছন্ত উপাসি॥

• • • •



অনন্ত আনন্দ ৰস মাত্ৰ সব মূৰ্ত্তি।
কোটী সূৰ্য্য শশীৰ প্ৰকাশ সম জ্যোতি॥

• • • •

ব্ৰহ্মৰ জ্যোতিৰ আসি লাগি চমৎকাৰ।
কম্পে তৰতৰি অতি শৰীৰ ব্ৰহ্মাৰ॥
ভৈল মহা মোহিত চেতন জ্ঞান নাই।
হংসতে পৰিল আঠো চক্ষু ওলোটাই॥

• • • •

যিটো প্ৰকৃতিত পৰ প্ৰভু ভগৱন্ত।
বেদান্তৰো মুখ্য ভাগে যাক প্ৰকাশন্ত॥
নিজ ব্ৰহ্মৰূপ যিটো অতৰ্ক্য মহিমা।
তাঙ্ক কি চক্ষুৰে চাইবাক পাৰে ব্ৰহ্মা॥
ঢিমিকি ঢিমিকি মাত্ৰ লৰে ধাতুখানি।
দেখন্ত মৰন্ত ব্ৰহ্মা পাছে চক্ৰপাণি॥
কথম্পি আছে প্ৰাণ নাইকে চেতন।
ব্ৰহ্মাৰ অৱস্থা দেখি হাসি নাৰায়ণ॥
বিধাতাৰ প্ৰতি পাছে সম্পজিল দয়া।
কৰিল সঙ্কোচ কৃষ্ণে আপোনাৰ মায়া॥

• • • •

কৃষ্ণৰ কৃপাত স্মৃতি পাইলে কথমপি।
পিৰিকান্ত আঁখি অল্প পুনৰপি॥

• • • •

চান্ত চতুৰ্ভিতি ভয়ে চকিত নয়ন।
আগতে দেখিল পাছে দিব্য বৃন্দাবন॥

• • • •

সিংহ বাঘ ছাগ গৰু কুৰে এক পালে।
কৃষ্ণৰ প্ৰভাৱে কেওঁ কাহাকো নাখালে॥

• • • •

হেন বৃন্দাবন মধ্যে পাছে স্থিকৰে।
দেখন্ত আছন্ত মাত্ৰ কৃষ্ণ একেশ্বৰে ॥

*   *   *   *

গোবৎস দামুৰি-চাই ফুৰন্ত একলে।
ধৰিগন্ত আৰু নাট্য নন্দশিশু ছলে ॥
দেখি হুনাই বিধাতাৰ উপজিল কম্প।
পৰিল হংসৰপৰা বেগে দিয়া ঝম্প ॥
কৃষ্ণৰ আগত পাছে হয়া লোটসোট।
পৰি আছে যেন সুবৰ্ণৰ দণ্ড গোট ॥

*   *   *   *

কম্পে তৰতৰি তনু কৃতাঞ্জলি হই।
কৰিবে লাগিল পাছে স্তুতি চাৰি মুই ॥
ভয়েতে নাপান্ত খুজি কৃষ্ণৰ মহিমা।
গোপশিশু ৰূপকে বৰ্ণাইবে লৈল ব্ৰহ্মা ॥"—দশম।

"দেবনাঃ প্ৰথমঃ" ব্ৰহ্মাই গোপশিশুৰূপী পৰমব্ৰহ্মক টুকুৰিয়াই চালে, চাই হাৰিল। এটা ব্ৰহ্মাণ্ডৰ ব্ৰহ্মাই তেওঁৰ জ্ঞানৰ সীমাৰে কোটী কোটী বিশ্ব-ব্ৰহ্মাণ্ডৰ অধিকাৰীক জুখি চাবলৈ গৈছিল! চেনিৰ পুতলা এটাই মহাসমুদ্ৰৰ পানীৰ দ জুখিবলৈ গৈছিল!!!

ইন্দ্ৰ স্বভাৱতে ব্ৰহ্মাতকৈ লক্ষগুণে কম জ্ঞানৰ, কম শক্তিৰ। গতিকে তেওঁৰ প্ৰণালী যে ইয়াতকৈ অনেক গুণে crude নীহ আৰু কম বুদ্ধিৰ হব, তাত আশ্চৰ্য্য কি? তেওঁ শাৰিৰিক বলেৰে, পাশুৱ বলেৰে বৃন্দাবন ধ্বংস কৰিবলৈ গৈ পৰমব্ৰহ্মৰ বলৰ পৰীক্ষা কৰিবলৈ গৈছিল; সেইদেখি তেওঁৰ অৱস্থা আৰু শোচনীয় হৈ পৰিছিল। ইন্দ্ৰৰ মদ-ভঙ্গ, গোবৰ্দ্ধন পূজা আৰু গোবৰ্দ্ধন ধাৰণত এই সত্যৰ প্ৰকাশ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---



# হজৰত মহম্মদৰ অন্তিম উপদেশ

## আৰু মুচলমান।

—o—

"মুচলমানসকল! তোমালোকৰ ধৰ্ম্মপ্ৰচাৰকৰ মৃত্যুকাল অহা দেখি কান্দিছাহঁক কিয়? মোৰ আগেয়ে যিসকল ধৰ্ম্ম-প্ৰচাৰক আহিছিল সেই সকলৰ ভিতৰত কোনোবা জন সদাই জীয়াই থাকিল নে? মই তোমালোকক কেতিয়াও এৰি নেযাম বুলিয়েই কি তোমালোকে মনতে ভাবি থৈছানে কি? সকলো ঘটনা ঈশ্বৰৰ ইচ্ছাতেই হয়। নিৰ্দ্দিষ্টকাল উপস্থিত হলে স লোৰেই ইহ-সংসাৰ এৰি যাব লাগিব। যিটো অতি নিশ্চিত—যাব কোনো প্ৰ ভাবেই সাল-সলনি নহয়, তাৰ নিমিত্তে শোক নকৰিবা। মই তোমালোকৰ কান্দোনৰ মাত শুনি ইয়ালৈ আহিছোঁ, এতিয়া তোমালোকে স্থিৰ ভাবেৰে মোৰ শেষ আজ্ঞালৈ কাণ কৰাহঁক। তোমালোক সকলোৱে একেলগে দলবদ্ধ ভাবে থাকিবা। তোমালোকে পৰস্পৰে পৰস্পৰক ভাল পাবা, মান কৰিবা আৰু শত্ৰুৰ হাতৰপৰা ৰক্ষা কৰিবা। সুদৃঢ় বিশ্বাসৰ সৈতে ধৰ্ম্ম-কৰ্ম্মৰ অনুষ্ঠান কৰি সদাই প্ৰচাৰ কাৰ্য্যত নেৰানেপেৰাকৈ লাগি থাকিবা। এইটো ঠিক জানিবা যে মানুহবিলাকে তাতেই হে উন্নতি লাভ কৰে। নহলে বিনষ্ট প্ৰাপ্ত হয়। তোমালোকতকৈ আগেয়েই মই গুচি যাম; তোমালোকো মোৰ পাছতে আহিব লাগিব। যথাৰ্থই জানিবা যে মৃত্যুৱে আমালৈ উদগ্ৰীৱ হৈ আছে। মোৰ আৰু এটি অনুৰোধ এই যে, পূৰ্ব্বৰ ধৰ্ম্মপ্ৰচাৰক সকলৰ শিষ্যসকলে যেনেকৈ সেইসকলৰ মৃত্যুৰ পাছত সেইসকলৰ সমাধি ঠাইবিলাকক উপাসনাৰ ঠাই কৰি লৈছে, তোমালোকে যেন কেতিয়াও তেনে নকৰাহঁক।"

হজৰত মহম্মদৰ নৰিয়া টান হৈ আহিলত তেওঁ মৃত্যুৰ চাৰি দিন পূৰ্ব্বে মচজিদলৈ গৈ নামাজ পঢ়াবলৈ অক্ষম হোৱাত হজৰতে আবুবকৰকে 'ইমাম' (আচাৰ্য্য) কৰি পঠিয়াই দিলে। হজৰত মহম্মদৰ পৰিৱৰ্ত্তে হজৰত আবু-

বৰকৰ ইমামৰ ঠাইত থিয় হোৱা দেখা পাই, সকলো মুচলমানবিলাকে কান্দিকাটি কোঢ়াল লগাবলৈ ধৰিলে। অপাৰ প্ৰেম-সিন্ধু হজৰত মহম্মদৰ কাণত এই বিলাপৰ ধ্বনি গৈ পৰাত তেওঁ একেবাৰে অস্থিৰ হৈ পৰিল। তেওঁ সেই নৰিয়া গাৰেই কোনোৰকমে কেকোজেকোকৈ আলি আৰু আৱাচৰ কান্ধত ভৰ দি লাহে লাহে মচজিদলৈ আহিল, আৰু নামাজ পঢ়োৱা হলত অতি গম্ভীৰ অথচ করুণ-আৰু মৰ্ম্মস্পৰ্শী ভাষাৰে ওপৰত তুলি দিয়া সাক্ৰৱা উপদেশখিনি দি সকলোৰে ওচৰত শেষ বিদায় ললে।

তেতিয়াৰ মুচলমানে সেই উপদেশৰ কিমান খিনি আখৰে আখৰে পালন কৰিছিল তাক আমি এতিয়া ভাবি উলিয়াব নোৱাৰিলেও বুৰঞ্জীয়ে কিন্তু সদাই আমাক কাণে কাণে কৈ আহিব লাগিছে যে, এচিয়া, ইউৰূপ আৰু আফ্ৰিকা আদি মহা দেশৰ ঠায়ে ঠায়ে এতিয়াও মোস্লেম প্ৰতিভাৰ যি ধিমিকি ধিমিকি তৰাটিইটি দেখা গৈছে, কালত প্ৰত্যেকটিয়েই এক্য একোটি ইচলাম প্ৰতিভাৰ উজ্জ্বল ৰবি হৈ সকলোকে সমানে সভ্যতাৰ পোহৰ দান কৰিছিল। অৱশ্যে, সকলোখিনি সেই অন্তিম উপদেশৰ প্ৰত্যেকটা আখৰকেই শিৰোধাৰ্য্য কৰি চলাৰ ফলতহে। মুচলমানৰ একতা আৰু সাম্যতাৰ লগত তুলনা কৰিবলৈ সেই কালত আৰু দ্বিতীয় জাতি বুলিবলৈ এটিও নাছিল। আনকি, এতিয়াও এই সভ্যতাৰ মধ্য যুগতো নাই।

চাইটামান মুচলমানৰ ঐক্য, সাম্য আৰু প্ৰতিভাৰ মেধে সিমান সোনকালে গোটেই জগত ছাতি পেলাব পাৰিছিল,তাৰ এটা দ্বিতীয় দৃষ্টান্ত দেখুৱাবলৈ আজিলৈকো কোনো ইতিহাসেই সাহ কৰি মুৰ দাঙি কথা এটা কব নোৱাৰে। তেতিয়াৰ মুচলমান, সকলোৱে মিলিজুলি একেলেগে দলবদ্ধ ভাবে থাকিবলৈ ভাল পাইছিল আৰু আছিলো। সেইহে একনে এটা ভাল বস্তু পালে তেতিয়াই কি তাৰ অলপ পাছতেই সকলোৱে সমানে তাৰ ভাগ পাইছিল। আজিকালিৰ মুচলমানে কোনো বস্তু পালে ভাগ বাটি খোৱা দূৰৈত থাওক একেলগে থাকিবলৈকে কিবা আহুকাল পোৱাদি পায়। ধৰ্ম্ম আৰু সমাজ আদিৰপৰা যিমানেই দূৰৈত থাকিব পাৰে সিমানেই তেওঁলোকে নিজক নিৰাপদীয়া বুলি ভাবে। পৰস্পৰে পৰস্পৰক ভালপোৱাৰ সলনি হিংসাহিংসি হে কৰে; মান কৰাতকৈ অপমান কৰাটো গৌৰৱ



জনক বুলি জানে; আৰু আনক শত্ৰুৰ হাতৰপৰা উদ্ধাৰ কৰি অনাতকৈ টানি নি শত্ৰুৰ মুখৰ আগত হে পেলাই দিয়া দেখা যায়। ইয়াত তেওঁলোকৰ আনন্দও আছে।

যিদিনাৰপৰা মুচলমানবিলাকে সুদৃঢ় বিশ্বাসৰ সৈতে ধৰ্ম্ম-কৰ্ম্মৰ অনুষ্ঠান আৰু প্ৰচাৰ আদিৰ ফালে পিঠি দি বহিল; সেই দিনাৰপৰাই এই আপদীয়া অধোগতিৰ সূত্ৰপাত! হায়, যি মুচলমানক এদিন টিকাফটা ব'দত বালিৰ ওপৰত চিটিকৈ পেলাই থৈ, নগুৰ নাগুতি কৰিও, অটল বিশ্বাসৰপৰা এখোজো লৰাব নোৱাৰছিল, কালৰ কুটিল গতিত পৰি আজি বহুতৰো সেই বিশ্বাসৰ খুটি একেবাৰেই হেলেকদেক! ধৰ্ম্ম-কৰ্ম্মৰ অনুষ্ঠান তো প্ৰায় ভাগে নকৰেই; যি ভাগে কৰে সেই ভাগৰো নিচেই অলপক হে সুদৃঢ় বিশ্বাসৰ সৈতে কৰ্ম্ম ক্ষেত্ৰত আগুৱা দেখা যায়; আন খিনিয়ে—কৰিব লাগে, নকৰিলে মানুহে বেয়া বোলাৰ ভয়ত হে কৰে। আমাৰ কিছুমান বুঢ়া-মেঠা মানুহক এই বুলি 'আপচোচ' কৰা দেখা যায় যে—"আমাৰ ল'ৰাটি একেবাৰেই শুচিল, নামাজ-তিলাৱৰ সমুলি ধাৰ নাধাৰ, আগলৈ বা কি কৰিমেলি সংসাৰ তৰিব"—ইত্যাদি, ইত্যাদি। আমি সোধোঁ—সেই বাৰে অগৰীয়া কোন—তুমি নে ল'ৰাটি? তুমিও তোমাৰ উচ্ছৃঙ্খল ডেকা কালটোত আত্মসংযম কৰি, ধৰ্ম্মৰ বান্ধোনৰ মাজেদি নিজক গঢ়ি তুলি, তোমাৰ অভিভাৱকসকলক সুখ শান্তি দিয়া হোৱা হলে, আজি আৰু কেতিয়াও তোমাৰ হিয়া ভেদি এই হুমুনিয়াহ নোলালহেঁতেন। বুঢ়া কালত ধাৰ্ম্মিক হবলৈ গলে, এইয়া কি ইয়াতকৈও আৰু কিমান ডাঙৰ ডাঙৰ মনোকষ্ট ভুগিবলৈ আছে! ইয়াকেই বোলে প্ৰকৃতিৰ-প্ৰতিশোধ!!

হে অসমৰ মুচলমান সন্তানসকল! তোমালোকে আজি এই সুদীৰ্ঘকাল সময় পোৱা নাই নে? আৰু চাবা কেতিয়া—জোৰ পুৰি দেখোন হাত পালেহি! তোমালোকৰ দুই-চাৰি জনে "পাছ"-তাছ কৰা শুনি, দুই চাৰি জনে হাকিম হুকুম হোৱা দেখি আৰু দুই এজন বৰযুৱীয়া বিষয়া হোৱা দেখা পাই, সেয়েই তোমালোকৰো উন্নতি বুলি ভাবিছানে কি? আজি ইমান দিনে তোমালোকে তোমালোকৰ উন্নতি অৱনতিৰ কিবা তালিকা এখনকে কৰি চাইছানে? তুমি অসমত থাকি গোটেইখন অসমৰ কিবা খবৰ ৰাখানে?

তোমালোকৰেই অযত্ন আৰু অৱহেলাৰ ফলত কিমানবোৰ মুচলমানে অবাটে বাট লৈ কি কাণ্ড কৰিব লাগিছে, কিবা ভু লৈছানে ?' "মাৰৈ পূজক," "বেদিন মুচলমান," আৰু "বে-নামজী মুচলমান" ইত্যাদি যে কিছুমান নতুন নতুন মুচলমানৰ দল ওলাই কিম্যান অন্যায় আৰু অধৰ্ম্মৰ প্ৰশ্ৰয় দি নিজেও বিপথগামী হৈছে আৰু আনলৈকো বাট মোকোলাই দিছে ; এই সকলো বোৰ তোমালোকৰ দোষতেই নহয়নে ? তোমালোকেই পৰস্পৰে পৰস্পৰৰ ভু-ভা লৈ, অভাৱ অনাটনৰ ফালে চকু দি, শিক্ষা আৰু জ্ঞানাদি বিস্তাৰ কৰা হলে কেতিয়াও তেওঁলোক ইমান তললৈ নামিবলৈ নাপায়। তোমালোকৰ অৱনতিৰ আৰু এটা প্ৰধান দোষ আৰু মুখ্য কাৰণ হৈছে তোমালোকে দেশীয় সাহিত্যৰ চৰ্চ্চা নকৰাটো ! গোটেই জগতৰ জ্ঞান-বিজ্ঞান সোপাকে তোমালোকে লোকৰ মুখেৰে খাই হজম কৰিবলৈ বিচাৰা ! সেইটোও সম্ভৱ নে ? একালত আৰববিলাকে যে সকলো বিষয়েতে পাৰদৰ্শিতা লাভ কৰি উন্নতীৰ শীৰ্ষস্থান অধিকাৰ কৰিব পাৰিছিল কিহৰ বলত ?—পৰৰ ভাষাৰে নে নিজৰ মাতৃভাষাৰে হজম কৰি ? অৱশ্যে তেওঁলোকৰ ভিতৰৰ ১০/২০ জনে বৈদেশিক ভাষা শিক্ষা কৰি সকলো ৰকম জ্ঞান-বিজ্ঞানৰ শুৱদি সোপাকে নিজ মাতৃভাষাৰে ভাই-ককাইসকলৰ ভিতৰত বিতৰণ কৰি সকলোকে সমানে জ্ঞানী, বিদ্বান আৰু পাৰদৰ্শী কৰি তুলিছিল। এতিয়া তোমালোকে তাৰ ঠিক ওলোটাটো কৰিছা ! যি দুই এজনে বৈদেশিক ভাষাৰে জ্ঞান বিজ্ঞান আহৰণ কৰিছা, সকলো নিজলৈকেহে। তোমাৰ কথা, তোমাৰ বতৰা, সকলো তোমাৰ লগতেই যাব। তোমাৰ শিক্ষাৰপৰা তোমাৰ ভাই ককাইৰ এৰো উপকাৰত নাহিল। কিয়নো, তোমাৰ ভাইককাই আটাইবিলাকেই মূৰ্খ অৰ্থাৎ ইংৰাজী, আৰবী, ফাৰ্চী, আৰু উৰ্দ্দূ নজনা। জনাই নজনাই মাতৃভাষা অসমীয়াৰেই কথা বতৰা হয়। বুজাবা বা জ্ঞান দিবা কিহৰ বলেৰে ? সিফালে যে মাতৃভাষা। "ডেম"-মাতৃভাষা নাজানো বুলি সেই গৌৰৱ কৰা ! ধন্য তুমি, ধন্য তোমাৰ শিক্ষা আৰু শতকোটিবাৰ ধন্যবাদ তোমা হেন মাতৃক খিণোৱা পৰম জ্ঞানীক !! তুমি যিমানেই কি দানী, মানী, জ্ঞানী, বিদ্বান আৰু ৰবলোক হোৱা নোহোৱা, এক মাতৃ-ভাষাক খিণাই তাৰ চৰ্চ্চা আৰু উন্নতিলৈ কামনা নকৰাটোৰ দোষতেই তুমি প্ৰকৃত জ্ঞানী জনৰ চকুত সেই



বিশেষণবোৰৰ ওলোটাটোহে। টানত পৰি নাম লোৱাৰ সময় এই পৰিছেহি, আল্লাই বচাওক সকলোকে।

অৱশেষত আকৌ কওঁ যে হে অসমীয়া মুচলমানসকল ! জগতৰ প্ৰত্যেকটো সভ্য আৰু শিক্ষিত জাতিৰ লগত নিজক এবাৰ ভাল ৰকমে তুলনা কৰি চোৱাঁহকচোন, আপোনাআপুনিয়েই দেখিবলৈ পাবাঁহক যে, তোমালোক উন্নতি আৰু সভ্যতাৰ কিমান উচ্চস্থানত বা অৱনতিৰ কিমান অটল গৰ্ভত ! হজৰত মহম্মদ ( দ; )ৰ অন্তিম উপদেশগিনি অকল আৰবকিজনলৈকে নে তোমালোকলৈও ? পৰস্ব অনুকৰণ কৰোতে কৰোতে নিজস্ব সোপাকে পাহৰি যাবলৈ ধৰিছা দেখোন ! আৰু কেতিয়া চম্ভালি লৈ নিজৰ ভৰিৰ ওপৰত নিজে ভৰ দি থিয় হবলৈ শিকিবা ? জানিবা, জানিবা, আমাৰ ওপৰতেই আমাৰ সুখ-দুখ, ভাল-বেয়া আৰু উন্নতি অৱনতি সকলো নিৰ্ভৰ কৰিছে। আমাৰ দোষতেই যেন আমাৰ উঠিঅহা ভবিষ্যত বংশধৰসকলে যাতনা-নিকাৰ ভোগ কৰিবলৈ নাপায়। তাকে চাই আহাঁ, আমি এতিয়াৰ পৰা সকলোৱে চাই-চিন্তি বাট বুলিবলৈ শিকোঁহক। হে আল্লা ! বল দিয়াঁ, উদ্যম দিয়াঁ, মনৰ কুৰ্ব্বলী আক্কাৰ আঁতৰাই নিয়াঁ আৰু পতিত অসমীয়া জাতিটোক উদ্ধাৰ কৰাঁ ! আমিন !!

এম্, মোছলেহ উদ্দিন আহমদ।

---

# বিশ্ব-সংহিতা'ত ক্ষুদ্ৰৰ অধিকাৰ।

—o—

এই বিৰাট বিপুল ভূবন-মাজত
যদিও মই ক্ষুদ্ৰ অতি ক্ষুদ্ৰ,
তথাপি এই নিখুঁট বিশ্ব-সংহিতাৰ
মই নহওঁ কদাপি শূদ্ৰ ;
হেৰা, নহওঁ কদাপি শূদ্ৰ।

মোৰ কাণতেই বেদমন্ত্ৰ জঁপি
প্ৰভাত সমীৰ উঠিছে যে কঁপি,
নিতউ প্ৰথম পুৱাতে ;
মোৰ ঘ্ৰাণতেই ৰাশি ৰাশি ফুল
উঠিছে বিকশি গন্ধ ব্যাকুল,
চকু মেলি মই চোৱাতে।
মোৰ প্ৰাণৰেই জলধি-পাৰত
আকাশ বীণাৰ বিপুল তাঁৰত,
গাইছে বিশ্বে গায়ত্ৰী ;—
সাঁতুৰি নাদুৰি মোৰ প্ৰাণতেই
'ভূৰ্ভুবঃস্বঃ' একাকাৰ হই,
ধ্বনিছে তম্বুৰো তন্ত্ৰী !
চন্দ্ৰ-বসুধা-তাৰকা-তপন
মোৰ সমুখতে হোম-হুতাশন
জ্বলিছে জগৎ-যজ্ঞ ;
ময়ে হই তাৰ চিৰ পুৰোহিত
ঢালিছোঁ বাসনা আহুতি ঘৃত,
ভৰিই জীৱন অৰ্ঘ্য।
এই বিৰাট বিপুল ভুবন-মাজত
যদিও মই ক্ষুদ্ৰ-অতি ক্ষুদ্ৰ,
তথাপি এই নিখুঁট বিশ্ব-সংহিতাৰ
মই নহওঁ কদাপি শূদ্ৰ ;
হেৰা, মহওঁ কদাপি শূদ্ৰ।

শ্ৰীবজ্ৰকান্ত বৰকাকতী।

---



# গাখীৰ।

—০—

গাখীৰ ঃ—সংস্কৃত দুগ্ধ। দোহ ধাতুৰপৰা দোহন কৰা অৰ্থেৰে "দুগ্ধ।" সেই দুগ্ধকে যেই সেই প্ৰাণীৰে গাখীৰ বোলা যায়। প্ৰকৃতপক্ষে চাবলৈ গলে গৰুৰ গাখীৰকেহে গা-খীৰ বুজায়।

পৃথিৱীত যত প্ৰকাৰ আহাৰেৰে জীৱ পৰিপোষিত হব পাৰে, সকলোতকৈ গাখীৰেই শ্ৰেষ্ঠ। গাখীৰৰ নিচিনা শৰীৰৰ উপকাৰী বস্তু পৃথিৱীত দ্বিতীয় নাই বুলিলেও বেছি কোৱা নহয়। নহবলৈ, গাখীৰো অপৰোক্ষভাৱে তেজৰে অনুকল্পমাত্ৰ। কিন্তু গাখীৰ আৰু তেজৰ ভিতৰত কিঞ্চিৎ প্ৰভেদ আছে। কাৰণ গাখীৰ কেৱল মাইকী জন্তুৰহে উৎপন্ন হয়। একে আহাৰকে খাই, একে বীৰ্য্য শোণিতৰেপৰা মাইকী মতা দুবিধ প্ৰাণী উৎপন্ন হয়। একে আহাৰাদিৰেপৰা মাইকীৰ মাইকী গুণৰ উৎপন্ন, পুৰুষৰ পুৰুষ গুণ উৎপন্ন। একে আহাৰাদি খৰেও মাইকীৰ স্তনৰপৰা গাখীৰ উৎপন্ন হয়, পুৰুষৰ একো নাই। এই গাখীৰ মাইকীৰ স্তনত, সৃষ্টি লীলাক্ৰমে, ভিৰ দি সদায় ওলাবলৈ যত্ন কৰি মুখ লৈ থাকেহি। কিন্তু তেজে সেই দৰে মুখ নলয় ; সি সপ্ত ধাতুত পৰিণত হে হয়। (হায়! প্ৰভুৰ সৃষ্টিলীলা কি আচৰিত)। এৱমাদিক্ৰমে তেজৰ লগত গাখীৰৰ অনেক প্ৰভেদ আছে। তাক আলোচনা কৰা বাহুল্য মাত্ৰ।

মানুহ, গৰু, মহ, ঘোৰা, হাঁতী, উট প্ৰায় এনেবিধ প্ৰাণীৰ সকলোৰে মাইকীৰ গৰ্ভসঞ্চয় হোৱাৰেপৰা দুগ্ধ সঞ্চাৰ হয়। আৰু পোৱালি প্ৰসৱ কৰাৰে পৰা যি পৰ্য্যন্ত পোৱালিয়ে অন্য আহাৰাদিৰে পৰিপোষিত হব নোৱাৰে সেই পৰ্য্যন্ত গাখীৰ ওলায়। দেশ অনুযায়ী যি দেশত যি জন্তু পোৱা যায়, সেই দেশত সেই জন্তুৰে গাখীৰ মানুহে ব্যৱহাৰ কৰা দেখা যায়। আমাৰ দেশত গৰু মহ সৰহ ; সেই কাৰণে গৰু মহৰ গাখীৰকে ব্যৱহৃত হয়। আৰব দেশত উট পোৱা যায়, সেই কাৰণে তাত হেঁনো উটৰ গাখীৰ ব্যৱহাৰ কৰা হয়। কিংবদন্তি আছে, কোনো কোনো দেশত ঘোঁৰাৰো ব্যৱহাৰ কৰে। হাঁতী ঘৰচীয়া জন্তু হলেও তাৰ গাখীৰ ব্যৱহৃত নহয়। আৰু হিংস্ৰ জন্তুৰ গাখীৰ

পাবলৈ হলেও মহৎ অনিষ্টকাৰী বাবে ব্যৱহৃত নহয়। কুকুৰ মেকুৰীৰ গাখীৰ অব্যৱহাৰ্য্য।

যি প্ৰাণীৰ যেনে স্বভাৱ যেনে গুণ সেই প্ৰাণীৰ উৎপন্ন বস্তুৰো তেনে গুণেই বিজ্ঞানসম্মত। আনৰ দেশৰ কথাৰ আৱশ্যক নাই, আমাৰ দেশত সচৰাচৰ গৰুৰ আৰু মহৰ গাখীৰকে অতি সহজে পোৱা যায়। বিশেষকৈ হিন্দুৰ ত্ৰিকালজ্ঞ মুনিসকলে গোবৰ গৰুমুত নহলে কোনো শুদ্ধ কাৰ্য্যকে নহয় বুলি কৈ গৈছে। তেখেতসকলৰ মতে গোগ্ৰাস দান নকৰাকৈ হিন্দুৱে আহাৰকে কৰিব নাপায়। সেই কাৰণে আগৰ কথাকে নকওঁ এতিয়াও প্ৰতি হিন্দুৰ ঘৰে ঘৰে গৰু দেখা যায়। ইয়াৰ তত্ত্ব পাছত লিখা হৈছে। মহৰ গাখীৰ যদিও পোৱা যায়, আৰু ব্যৱহাৰো কৰা হয়, তথাপি যেনে আসুৰিক স্বভাৱৰ তাৰ গাখীৰো যে তেনে আসুৰিক স্বভাৱৰ নহয় এনে নহয়। যেনেকৈ কোনো কোনো ৰোগত ৰবিহো বৰ উপকাৰী সেই দৰে মহৰ গাখীৰো কোনো কোনো অৱস্থাত বৰ উপকাৰী। মানুহৰ তেজশাওঁ কিম্বা গ্ৰহণী ৰোগত ( গেলা পচা নহয় ) এনে বিধৰ মহৰ দৈ গাখীৰ, কলহৰ মুখৰ প্ৰায় ৩।৪ আঙ্গুল বৰ উপকাৰী। এৱমাদিক্ৰমে মহৰ গাখীৰ আমাৰ বহুত কাৰ্য্যত ব্যৱহৃত হয়।

আন পক্ষে গৰু এজনীতকৈ এজনী মহে দুই তিন গুণ বেছি গাখীৰ দিয়ে। আৰু মহৰ গাখীৰত গৰুৰ গাখীতকৈ সাৰময় পদাৰ্থবেছি * থকাৰ কাৰণে আমাৰ মাখন,ঘীউ প্ৰভৃতি নিত্যব্যৱহাৰ্য্য বস্তুবোৰ মহৰ গাখীৰৰপৰা তৈয়াৰ কৰা হয়। বৰ্ত্তমান অৱস্থালৈ গৰুৰ গাখীৰপৰা উৎপন্ন বস্তুও অতি দুৰ্ল্লভ হৈছেহি। বিশেষতঃ আসামত গাখীৰেইহে সকলো সকামাদিৰ প্ৰধান সম্বল; সেই কাৰণে মহৰ গাখীৰৰ প্ৰচলন আসামত বেছি। কিন্তু নিত্য ব্যৱহাৰ্য্য কাৰ্য্যত মহৰ গাখীৰ সুবিধাজনক নহয়। কাৰণ ঘৰে ঘৰে একোজনীকৈ মহ পোহা অসম্ভব। মহক খাবলৈ বেছি লাগে, ৰখি ফুৰিবলৈ ৰখীয়া লাগে। বান্ধিবলৈ খুটি লাগে, ধুলী লবলৈ পানী লাগে, ইত্যাদি নানা অসুবিধা, সেই কাৰণেই সততে পোৱা টান। কিন্তু গৰু আমাৰ প্ৰায় ভাগ

* পাছত বহলাই লিখা হব। লিঃ



মানুহৰে পোহনীয়া জন্তু। ই অতি নিৰীহ; পুহিবলৈ সুবিধাজনক। কি ধনী, কি দৰিদ্ৰ, কি হাকিম, কি খনিতাৰী, সকলোৱেই গৰু সহজে পুহিব পাৰে। অকণমান লৰা এটাইও ৰাখিব বান্ধিব পাৰে। গৰুৰ আহাৰ অতি সাত্বিক অৱস্থাৰ। সেই কাৰণে গৰু অতি নিৰীহ আৰু গাখীৰো বিষহীন। পানীকেচুৱা, লৰা ডেকা, গাভৰু, বুঢ়া, বুঢ়ী, ৰুগীয়া, গৰ্ভৱতী সকলোৱে গৰুগাখীৰ সহজে খাব পাৰে। ইয়াৰপৰা সকলোৱে উপকাৰ হে হয়। কেৱল নতুন জ্বৰৰ প্ৰথম অৱস্থাত, আৰু কেচুৱা লৰাৰ কফত ই উপকাৰী নহয়। তথাপি এসেৰ গাখীৰত এসেৰ বিশুদ্ধ পানী দি আন্দাজ এতোলা সৰু সোনৰবিয়ালৰ শিপা খুন্দি দি তপতাই আধেৰ মান টুটাই কাঢ়ি থৈ অলপ অলপকৈ খুৱাবলৈ অনেক চিকিৎসকে উপদেশ দিয়া শুনা যায়। পূৰ্ব্বেই গাখীৰ আমাৰ কিয় জীৱনীশক্তি বৰ্দ্ধক কৈ অহা হৈছে। আৰু গাখীৰ এটা শ্ৰেষ্ঠ আহাৰ তাকো কৈ অহা হৈছে। কিঞ্চিৎমান, গৰুগাখীৰ কিয় বেছি উপকাৰী তাকো কোৱা হৈছে। বৰ্ত্তমান আন গাখীৰৰ লগত বিজালে গৰুগাখীৰ কিয় শ্ৰেষ্ঠ তাক কবলৈ আগবঢ়া হৈছে।

আয়ুৰ্ব্বেদ শাস্ত্ৰত গৰু গাখীৰৰ গুণঃ—

"চক্ষুং সুমধুৰং স্নিগ্ধং,বাতপিত্তহৰং সৰং
সদ্য শুক্ৰ কৰং শীতং সাত্ম্যং সৰ্ব্বশৰীৰিণাং।
জীৱনং বৃংহসং বল্যং মেধ্যং বাজীকৰং পৰং।
বয়স্থাপন মায়ুষ্যং সন্ধিকাৰি ৰসায়নং।
বিৰেক বস্তিবস্তীনাং তুল্য মোজো বিবৰ্দ্ধনং।
জীৰ্ণ জ্বৰে মনোৰোগে শোষ মূৰ্চ্ছা ভ্ৰমষুচ।
গ্ৰহণ্যাং পাণ্ডু ৰোগে চ দাহে তৃষি হৃদাময়ে।
শূলোদাবৰ্ত্ত গুল্মেষু বস্তি ৰোগে গুদাঙ্কুৰে।
ৰক্তপিত্তেঽতি সাৰেচ যোনিৰোগে শ্ৰমে ক্লমে।
গৰ্ভশ্ৰাৱেচ সততং হিতং মুনিবৰৈঃ স্মৃতং।
বালক বৃদ্ধ ক্ষতক্ষীণাঃ ক্ষুদ্ব্যবায় কৃশাশ্চযে॥
তেভ্যঃ সদাতিশয়িতং হিতমেত দুদাহৃতং॥"

আৰু বহুত আছে। বাহুল্য ভয়ত এৰা হল। অনুবাদ পাছত ঠায়ে ঠায়ে

দিয়া হৈছে। বৰ্ত্তমান বৈজ্ঞানিকসকলে ৰাসায়নিক পৰীক্ষাৰ দ্বাৰাই গাখীৰৰ যি উপাদান স্থিৰ কৰিছে, তলত দিয়া হ'ল ?

এজন ডাক্তৰৰ গাখাৰৰ বিষয়ে মন্তব্যটি পঢ়ি চাওক

Payen's Analysis qnoted by Pavy.

| গাখীৰৰ বিষ | ১০০ ভাগত | | | | | |
|---|---|---|---|---|---|---|
| | পানী | অদ্ৰৱনীয় পদাৰ্থ | চৰ্ব্বি | লৱণময় পদাৰ্থ | সুগাৰ অৰ নিক টেনিময় পদাৰ্থ | |
| (মাইকী) মানুহৰ | ৮৯·৫৪ | ১০·৬৬ | ৩·৩৪ | ৩·৩৫ | ৩·৭৭ | জীর্ণ সময়—গৰু গাখীৰ, মানুহৰ গাখীৰ, ছাগলীৰ গাখীৰৰ দুই ঘণ্টা মান লাগে। মহৰ গাখীৰ জীর্ণ হবলৈ ২ ঘণ্টা লাগে। |
| গৰু | ৮৬·৪০ | ১৩·৬০ | ৩·৭০ | ৪·৫৫ | ৫·৩৫ | |
| ছাগলী | ৮৫·৬০ | ১৪·৪০ | ৪·১০ | ৪·৫০ | ৫·৮০ | |
| গাধ | ৯০·৫০ | ৯·১০ | ১·৪০ | ১·৭০ | ৬·৪০ | |

এই তালিকা মতে চাওঁক কেৱল গৰুৰগাখীৰবেই মানুহৰ গাখীৰৰ লগত সামঞ্জস্য, আন গাখীৰৰ নহয়। বোধ কৰোঁ, লৰাক খুৱাবলৈ প্ৰায় লৰা-মাইকীয়েই গৰুৰ গাখীৰৰ লগত পানী দি পনীয়া কৰি লয়। সম্ভৱ চৰ্ব্বিময় পদাৰ্থ বেছি হলে কোমল নাড়ীত কিঞ্চিৎ অপকাৰ হব পায়। কেইবাজনো প্ৰবীণ ইংৰাজ ডাক্তৰে তলতলিখা মন্তব্যেৰে গৰুৰ গাখীৰৰ বিষয়ে মত প্ৰকাশ কৰা এজন ডাক্তৰৰ ঘৰত এদিন এখন ইংৰাজি ডাক্তাৰী কিতাপত পাইছিলো।

যদিও গৰুগাখীৰত অদ্ৰৱণীয় পদাৰ্থৰ ভাগ বেছি তথাপি মানুহৰ গাখীৰৰ লগত তাৰেইহে বেছি সামঞ্জস্য। আৰু গৰুগাখীৰৰ কি উপকাৰাদি, পাছে



লিখা হব। বৰ্ত্তমান গৰু আমাৰ কিমান লাগতিয়াল তাকো ভাবি চোৱা যাওক। গৰুৱে অকল আমাক গাখীৰেকে দিয়েনে ? নহয়। গৰুৱে যি আহাৰ কৰে তাৰ সাৰভাগ সপ্তধাতুত পৰিণত হয়, অসাৰ ভাগ বিষ্ঠাৰূপে বাহিৰ হয়। কিন্তু প্ৰভুৰ কি অনন্ত মহিমা যে গৰুৰ আহাৰৰ যি অসাৰ অংশ গোবৰ ৰূপে বাহিৰ হয়, সেয়েহে আমাৰ খাদ্য উদ্ভিদাদিৰ প্ৰধান সাৰ। যহৰ গৰুৰ সাৰত একো মূল্য নাই। এই সাৰৰ দ্বাৰাই উৎপন্ন উদ্ভিদাদিত একো স্বাদ নাই। গোবৰ অকল সাৰেই নহয় এটা ঔষধও। কলেৰা প্ৰভৃতি সংক্ৰামক ৰোগত বহুমূলীয়া ফেনাইল প্ৰভৃতিৰ ঠাইত কলিকতাৰ বিখ্যাত কবিৰাজ বাবু শ্ৰীনগেন্দ্ৰনাথ সেন, বাবু শ্ৰীঅবিনাশচন্দ্ৰ সেন, ঢাকাৰ বাবু শ্ৰীমথুৰামোহন চক্ৰবৰ্ত্তী প্ৰভৃতি প্ৰবীন চিকিৎসকসকলে গোবৰ ব্যৱহাৰ কৰিবলৈহে অনুমোদন কৰে। তাত বাজেও গৰুৰ গোবৰ এটা সুন্দৰ ৰুৱাল। বঙ্গালদেশৰ ফালে গোবৰ শুকাই গোবৰ খুটি কৰি বহু পইচা আৰ্জ্জে। এই গোবৰখুটি ৰন্ধা-বঢ়া কামতে অকল নালাগে, নানা আয়ুৰ্ব্বেদীয় ঔষধৰ জাৰণ মাৰণ কামত ব্যৱহৃত হয়। মতাগৰুৱে গাড়ী টনা হাল বোৱাটোতো আছেই।

সেই কাৰণেই ত্ৰিকালজ্ঞ মুনিসকলে কত দিনৰ পূৰ্ব্বেই যে গৰুক দেৱতা বুলি পূজিছিল ; সেই হে গোবধ ইমান ডাঙৰ পাপ বুলি ধৰি গল। আন কি গৰু খালত পৰি মৰিলেও প্ৰায়শ্চিত্ত হব লাগে। সেই কাৰণেই হে প্ৰত্যেক গৃহস্থীৰে গৰু গৃহদেৱতা হৈছিল। আজিও আমি "গোধন নিধন খাই বন দিয়ে ধন" বোলোঁহক। প্ৰকৃতপক্ষে গৰু আমাৰ পৰম দেৱতা। গৰুক ঘাহ ছুডাল দিলেই হয়। কাটি নিদিলেও নিজে চৰি চৰি খাই ফুৰে।

হে হিন্দু! তোমালোকেতো সেই কাৰণেই বিশ্ব-জোৰণিতে পৃথিবীত থাকিও চন্দ্ৰ সূৰ্য্যকে হাতে হাতে পাইছিলা। যেতিয়া গোটেই পৃথিৱী পশুবৎ হৈ আছিল তেতিয়াই হিন্দুৰ কেনে জ্ঞান কেনে বুদ্ধি! হিন্দুৰ কেনে পবিত্ৰ স্বভাৱ! হেৰা পবিত্ৰভূমি ভাৰত তুমি কেনে পুণ্যৱতী! তুমি কিমান ধন্য! পৃথিবীৰ তুমি কেনে শ্ৰেষ্ঠ আদৰ্শ!

হে মোৰ স্নেহময় ভাতৃ সকল! আমি হিন্দুস্থানৰ দেৱপ্ৰতিম মুনিসকলকে আদৰ্শ লৈ সকলোটিয়ে গো-মাতৃৰ পূজা কৰোঁহক আহা। হে হিন্দু! হে

মুছলমান, হে খৃষ্টান আহা এই মহাযজ্ঞত তোমালোকেও যোগ দান দিয়াহি। তোমালোকো বাদ নপৰিবা। হে মুছলমান! হে খৃষ্টান! তোমালোকেও গোহিংসা এৰি পেলোৱা। গোমাংসৰ সলনি অন্য মাংসকে ব্যৱহাৰ কৰাহক। গোজাতিৰ উন্নতি কামনা কৰি সকলোৱে অহোপুৰুষাৰ্থ কৰা।

আমি উপজি মুখ দিওঁ গাখীৰত। মৰিবৰ বেলিকাও গাখীৰকে একো টোকা দি কুটুম্বৰ স্নেহ চিহ্না ৰীতি হিন্দুৰ ভিতৰত সদায় আছে। গাখীৰেই আমাৰ আজীৱন লগৰ প্ৰধান লগৰীয়া। মাইকী মৰা লৰা গাখীৰৰ বলত জীয়াই থাকে। গাখীৰে দুৰ্ব্বলীক বলিষ্ঠ কৰে; থাবৰ মন নোযোৱাকো এগৰাহ হেচি ঠেলি খুৱাই। গাখীৰ ৰোগীৰ প্ৰধান আহাৰ। সি নিৰোগীকো কান্তি পুষ্টি, শ্ৰীলাবণ্য বৃদ্ধি, মেদ দান কৰে।

যেতিয়া গাখীৰ এটা এনে উপাদেয় বস্তু তেতিয়া সি যাতে বিশুদ্ধ হয় সেই বিষয়ে চকু দিব লাগে। অবিশুদ্ধ গাখীৰৰপৰা প্ৰায় সংক্ৰামক ৰোগ বৃদ্ধি হয়; অজীৰ্ণ দোষ জন্মে; অতিসাৰ প্ৰভৃতি ৰোগ জন্মে। মোটতে "পয়ঃ" অমৃত গুচি বদবিহ হয়। গাখীৰ বিশুদ্ধতাৰ বিষয়ে প্ৰথমতে চাব লাগে যে যেতিয়া কোনো কেচুৱা লৰাৰ বেমাৰ হয় তেতিয়া মাইকীক পথ্যশীলা হলৈ বিশেষ সাবধান কৰা যায়। কাৰণ আহাৰ্য্য দ্ৰব্যৰ সতৰপৰা গাখীৰ উৎপন্ন হয়। সেই কাৰণে মাইকীয়ে অপথ্য সেৱন কৰিলে লৰাৰ ৰোগ বৃদ্ধি কৰে। ইয়াৰ দ্বাৰাই বুজি লোৱা উচিত যে নিৰ্দ্দোষী আহাৰৰ পৰাইহে নিৰ্দ্দোষী গাখীৰ পোৱা যায়। যেতিয়া কেৱল কেচুৱা কণৰ অনিষ্ট আশঙ্কা কৰিয়েই মাইকীৰ আহাৰৰ ওপৰত ইমান চকু ৰখা হয় তেতিয়া গোটেই পৰিয়ালটোৰ প্ৰধান আহাৰ গাখীৰ আৰু আনকি যি গাখীৰকে মাইকীয়েও পথ্য বুলি ব্যৱহাৰ কৰে সেই গাখীৰ কেনেকৈ বিশুদ্ধকৈ পাব পাৰি তাৰ বিষয়ে চকু নৰখাতকৈ মানুহ জাতিৰ মহামূৰ্খামিৰ কাৰ্য্য কিবা হব পাৰে নে? লৰাই সুস্থ অৱস্থাতো কোনো কোনো সময়ত পিয়াহ খাই উতলিয়াই। তেতিয়া বুজিব লাগে যে মাতৃ স্তন্য নিশ্চয় দূষিত। আন কি সাধাৰণ গাখীৰ খাই কেতিয়াবা ডেকা মানুহেও বঁতিয়াই। তাৰ কাৰণ, গাখীৰত দোষ।



ৰতি গোহালিৰ গৰু নি কাটি খোৱা বহুত দেখা যায়। নগৰৰ কাণ্ড ইয়াতে-কৈ চৰা। কিন্তু বিশেষ কাৰণত বাধ্য হৈ বাদ দিব লগাত পৰিলো) দ্বিতীয়তঃ আমাৰ দেশত বলিষ্ঠ যাঁড় গৰুৰ অভাৱ বৰ বেছি হৈছে। অনেক ঠাইত গৰুৱে খোজ লবাৰকৈ আনঠাই পৰা লোটোৱাই দমৰাহে অনা হয়। ওপৰত উন্মুকিওৱা দোষবোৰৰপৰা যে আমি বিশুদ্ধ গাখীৰ পাব নোৱৰা হৈছোঁৱেই তাতে ভূতৰ ওপৰতে দানৱ আকৌ গাখীৰ বেচোতাৰ অত্যাচাৰ! যি হিন্দুৱে এসময়ত "অৰ্থ অনৰ্থৰ মূল ভাবিছিল সেই অৰ্থ আজি পৰম সম্পদ। গোটেই পৃথিৱী অৰ্থলোভে লালায়িত। কৃতবিদ্য ধৰ্ম্মপ্ৰবীণ ধৰ্ম্মপ্ৰাণসকলেই ধন পালে প্ৰবঞ্চনা, শঠতা, বিশ্বাসঘাতকতা, মিত্ৰদ্ৰোহ, মিছা কথা প্ৰভৃতি পাপলৈ পিঠি দি সত্যশৌচ দমঃ শমঃ প্ৰভৃতি গুণবপৰা বহুত আতৰ হৈ পৰিছেহি। নিৰক্ষৰ মূৰ্খসকলৰ আৰু কি কথা! গাখীৰ বেচাতাই গাখীৰ নগৰত পোৱাত /০ এক অনা ছয় পইচাকৈ বেচে। কোনো গাওঁত সেৰে ৵০ দুই অনাতো পায়। ইইতে কেনে গাখীৰ বেচে তাক দেখিলে শুনিলে তবধ লাগিব লগা। লাভৰ প্ৰত্যাশাত বহুত পানী মিহলোৱা হয়। তাকে কৰি এৰিলেও ভাল, কিন্তু তাত নানা তৰহৰ ভেজনি দিয়ে। নেপালাৰ আদৰ্শ নকল কৰি অসমীয়াই আজিকালি আৰেলি গাখীৰ খোৱায়? তথাপি অসমীয়াই পানাৰ বাজে আন ভাজ নাজানে। কিন্তু বিদেশীয়ে আগ দিনা গধুলি গাখীৰ খিৰাই চামনি কাটি গাখীৰ বেলেগকৈ থৈ দিয়ে, পাছদিনা যি গাখীৰ ওলায় তাতে আগদিনাৰ গাখীৰ মিহলাই লগতে যিমান সম্ভৱ পানী মিহলায়। অনেকৰ মুখে অনেক ভাজৰ কথা শুনা যায়। তলত এটা মাত্ৰ উল্লেখ কৰা হব। সেই গাখীৰকে পুৱাতে আহি বাবুসকলৰ ঘৰে ঘৰে যোগান দিয়েহি। চাকৰে গাখীৰ নি তপতালে, কোনো দিনা বিবৰ্ণ হয়, কোনো দিনা ফাটি যায়। তেতিয়া হাকিম হাকিমনীৰ চাকৰৰ ওপৰত যি ৰোষাগ্নি প্ৰজ্জ্বলিত হয়, তাক বেচেৰা ভোক্তা চাকৰ বপুৰাৰ বাজে আনে কোনে বুজিব। কিন্তু সেই গাখীৰ যে বেচোতাৰ অত্যাচাৰতহে এনে হৈছে তাকে, বুজিও নুবুজে। তাৰ প্ৰমাণ এটা দুটা মানুহে ৩।৭ সেৰ গাখীৰ হলেও খীৰাই পুৱাতে বাবুসকলৰ বেড টী (বিছনাৰ চাহলৈ) যোগাব পৰা অসম্ভৱ। দ্বিতীয়তঃ মই গোলাঘাটত থকা সময়ত নগৰ বাসীৰ প্ৰধান গাখীৰ যোগাওঁতা এটা ছিলটীয়া আৰু এজনী মুচিয়াৰনীয়েই

মুনিসকলৰ দৰে আমি অভিমান শূন্য নহওঁ। গৰু পৰিচৰ্য্যা কৰা,ঘাহ কাটি দিয়া দূৰৰ কথা এবা পাতত পৰি থকা ভাতকিটা খুৱাবলৈকো চাকৰ নহলে নহয়। আমাৰ বৰ্ত্তমান দিনত আগৰ দৰে আহল-বহল বাৰী নাই। সেই কাৰণে গৰু চৰিবলৈ বাৰীত যে ঠাই নাই ওচৰতো নাই। বাস্তবিকতে বৰ্ত্তমান দিনত আন দেশৰ কথা কব নোৱাৰো; কিন্তু আসামত হলে গো-জাতিৰ অধঃপতন অনিবাৰ্য্য। ইয়াৰ প্ৰধান কাৰণ চৰণীয়া ঠাইৰ অভাৱ এই বিষয়ে এটা কথা কওঁ যে আজি ৩বছৰ হৈছে অকস্মাৎ জেঠমহীয়া জোৰহাটৰ ককিলাৰ বঙ্গদৈৰ পাৰলৈ গৈছিলোঁ। অহাৰ সময়ত কেইবাদিনেৰপৰা বৰষুণ হোৱাত আলিত আঠু-দনীয়া বোকা। বেলি প্ৰায় ১মান বজাৰ সময়ত চাৰিগাওঁৰ মাজে যোৱা আলিত ৯ কি ১০ জাক মান গৰু কলিয়নী পথাৰত চৰাবলৈ নিয়া দেখিলো। প্ৰত্যেক জাকতে ২০০ কি ২৫০ কম নহব। কিন্তু তাৰ ভিতৰত এটিও সবল সুস্থ গৰু দেখা পোৱা নহল। তাৰ কাৰণ সোধাত জানিব পাৰিলো যে হাল মেলি এমুঠি খাই এতিয়া মেলি অনা হৈছে, চাৰি পাঁচ মাইল দূৰৈৰ কলিয়নী পথাৰলৈ অনা নিয়া কৰিবলৈকো সুবিধাজনক বাট নোহোৱাত বহুতপৰা অনা নিয়াতে যায়। গধুলি চাকি লগোৱাৰ আগতে উলটি পাবহি লাগিব। সেই ঠাইতে সদাই ইমানবোৰ গৰু ইয়াৰে চৰে। তাৰ বাহিৰে আন আন ঠাইৰ পৰাও অনেক আনে এনে স্থলত একে বাহনিতে সাল সলনি নোহোৱাকৈ ইমান গৰু চৰোৱাত গৰুৰ অৱস্থা কেনে ভাবে থাকে ভাবি চাওক। ভাবিবলৈ গলে কি ভয়ানক কাণ্ড তাৰপৰা অকল এটা দোষেই নহয়। বিশেষতঃ যদি কোনো ঠাইৰ গৰুৰ কিবা সংক্ৰামক ৰোগ থাকে তেন্তে সেই ৰোগ বহুত গাওঁৰ গৰুৰ গালৈ বাগৰে; ইকি কম অনিষ্টকৰ। অকল যে তাতেই এনে দশা এনে নহয় সকলো ঠাইতে এনে হৈছেহি। এইবাৰ ব্ৰহ্মপুত্ৰৰ দাঁতিত সংক্ৰামক ৰোগত গৰু যেনে ভাবে মৰিছে দেখিলে ভাবিব লাগিব আৰু দুই মাহ এই দৰে থাকিলে গৰুৰ নাম কৰবলৈকে নাইকিয়া হব। চাহ বাগিচাই সকলো চাপৰি গিলি পেলালে আৰু দাঁতিকাষৰতো কেনিবা অকণ ঠাই আছে যদি তাতো গৰু খেদি ধৰি বাখি থাকিব লাগিব। যিহেতুকে নিৰক্ষৰ গোমাংস ভোজী কুলিৰ হাত বাগিচাৰ চকিদাৰৰ ভাৰ। এই কুলিবিলাকে অকাৰণত খেদি নি পাউণ্ডতে দি নেদে, চল পালে কাটি ভাগবাটি খাই পেলাই। সেই গৰু কি?



গৰুৰ গাখীৰৰ দৈ :—অম্ল, মধুৰ, ৰস, অম্লবিপাক, গুৰুপাক, শীতল, মল-ৰোধক, মুখৰোচক, শোথজনক, বলকাৰক, শুক্ৰবৰ্দ্ধক, পুষ্টিকাৰক, অগ্নিদীপক। গৰুৰ গাখীৰৰ দৈৰ কথা পূৰ্ব্বেই কৈ অহা হৈছে।

এবা গৰুৰ গাখীৰ পুৰা খালে, অগ্নিবৃদ্ধি, শৰীৰ পুষ্টিকাৰক, শুক্ৰবৰ্দ্ধক; দুপৰীয়া বলবৃদ্ধি, কফনাশ, মূত্ৰকৃচ্ছ নিবাৰণ হয়। ৰাতি খালে নানা ৰোগৰ শান্তি। কোনো ৰোগীৰ গাখীৰ জীৰ্ণ হোৱা শক্তি নহলে কিঞ্চিৎ চূণৰ ওপৰত উঠি থকা ফটফটীয়া পানী মিহলাই খুৱাব লাগে।

মাখনৰ সাধাৰণ গুণ :—মধুৰ ৰস, শীতল, ৰুচিকৰ, মলৰোধক, বৰ্ণকাৰক, কান্তিজনক, বল শুক্ৰ পুষ্টিবৰ্দ্ধক, চকুৰ পক্ষে হিতকৰ, শ্ৰান্তি দূৰকাৰী, বাত কফাদি নিবাৰক, সৰ্ব্বাঙ্গশূল, কাহ, ক্ষয়, কৃশতা, শুক্ৰ-হীনতা, স্নায়বীক দৌৰ্ব্বল্য ( Nervous Debitily ) বায়ুৰোগ মাত্ৰৰে উপকাৰী।

গৰুৰ ঘিউ ( গাখীৰৰ ) চকুৰ উপকাৰী, বৃষ্য, অগ্নিবৰ্দ্ধক, স্বাদুপাক, শীতল, ত্ৰিদোষ নাশক, মেধা লাবণ্য কান্তি ওজঃ তেজবৰ্দ্ধক। আয়ুবৰ্দ্ধক, গুৰু বল-কাৰক, পবিত্ৰ, ৰসায়ন, সুগন্ধি, ৰোচক। সকলো ঘীউতকৈ গৰু গাখীৰৰ ঘিউ ভাল। আয়ুৰ্ব্বেদী ঘিউৰ যত উল্লেখ আছে, কেৱল গৰুৰ গাখীৰৰ ঘিউহে বুজিব লাগে।

মহৰ গাখীৰৰ ঘিউ :—ৰোদ্, ৰক্তপিত্তৰ শান্তিকৰ, বায়ুনাশক, শীতল শ্লেষ্মকৰ, বৃষ্য ও গুৰুপাক।

ছাগলী গাখীৰৰ ঘিউ :—অগ্নিকাৰক, চকুৰ হিতকৰ, বলবৰ্দ্ধক, কাহ আদিৰ উপকাৰী।

নতুন ঘিউ :—বলক্ষয়ত, পাণ্ডু, কমলা, চকুৰ ৰোগৰ উপকাৰী।

পুৰণি ঘিউ :—ত্ৰিদোষ নাশক, মূৰ্চ্ছা, কুষ্ঠ, উন্মাদ, বিষ, ব্ৰণ, ইত্যাদিলৈ ভাল। এবছৰৰ বেছি হলেহে পুৰণা বোলে, কিন্তু মাটিৰ পাত্ৰত উশাহ নোপোৱাকৈ থোৱাহে ভাল। এনে অৱস্থাত থকে ঘিউ পুৰণি হয় মানে ভাল। এনে ঘিউত লঙ্গ ভাজি ভালকৈ ভজা হলে পানীলগালৈ ভাল আৰু যাত ওলায় ( স্বৰভঙ্গ গুচে )।

আয়ুৰ্ব্বেদীয় মোদক, ঘিউ প্ৰভৃতিত গৰুৰ গাখীৰৰ ব্যৱহাৰ বেছি। গৰুৰ

নগৰৰ প্ৰায় ইমূৰৰপৰা সিমূৰলৈ সেৰে তিনি অনা দৰত কত-পুৰাল-কত-সুপুৰালতে, বাবুসকলৰ বেড্‌টীৰ যোগানৰ গাখীৰ দিয়ে। সাধাৰণ শ্ৰেণীৰ বেড্‌টীৰ ব্যৱহাৰ নজনালৈ ক্ৰমে বেলি হৈছায়। কিন্তু গাখীৰ চাহত দিলে চাহৰ বৰণ ধবক ছাবি সেং সেঙীয়াহে দেখুৱায়। বাবুৱনীসকলে মুখে মুখে কয় "চাউল ধোৱা পানী দিয়ে," কোনোৱে কয় ইহতৰ দেউতাকেহে সেইখন গাখীৰ কিনে, যাদও নাই সোৱাদো নাই, তাতৰ প্ৰথমে উতলা-পানীকে দিয়েনে চাউল বটা পানীকে দিয়েনে আই। এইখন গাখীৰ আমি মুখতে নিদিওঁ।" ইত্যাদি নানা তৰহৰ কথা কয়, কিন্তু সেই বুলি নিকিনি-নাথাকে। অৱশ্যে অধিক ভাগ বিধবাই আশঙ্কা কৰি নাখাইছিল। ছিল-অয়াটোৰে গৰুৰ গাখীৰ ঘাউ এইবোৰ বেচি সুৰে। প্ৰত্যেক মানুহৰ মুখতে ওলায় এইবোৰ মহৰ গাখীৰ, মহৰ গাখীৰত কিবা ভাঁজদি এনে হালধীয়া কৰিছে। দেখক গোলাঘাটৰ নিচিনা সৰু নগৰত কিমান ভাঁজৰ অত্যাচাৰ; ডাঙৰ নগৰত নহবৰ আশঙ্কা কি? প্ৰায় কলিকতাৰ খবৰ কাগজত দেখা যায় যে, মিউনি-চিপেলিটীৰ আইনমতে এজন গুৱালৰ ভেজাল মিশ্ৰিত দুগ্ধ বিক্ৰিৰ নিমিত্তে ইমান টকা জৰিমনা হৈছে। লণ্ডন মহানগৰীতো ভেজাল মিশ্ৰিত গাখীৰ আছে। এইয়া হল গৰু গাখীৰৰ কথাহে। কিন্তু মহৰ গাখীৰ যে আৰু সাংঘাতিক। কোনো কোনো লোকে সেই ৰহস্যভেদ নকৰিবও পাৰে সেই অৰ্থে মোটামুটি চমুকৈ কোৱা হল। মহৰ গাখীৰ দুবিধ। এবিধ অসমীয়া আৰু এবিধ নেপালীৰ। পূৰ্ব্বৰে আসামজাত মহৰ গাখীৰকো অসমীয়া বোলে আৰু বঙলা অৰ্থাৎ বিদেশী মহ অসমীয়াই নিজে পুহি যি গাখীৰ বেচে তাকো অসমীয়া বোলে। অসমীয়া মানুহে ভেঁজাল বুজ নাপায় আৰু চানি কাটিব নাজানে। অধিকভাগেই দুই বেলা গাখীৰ নিখীৱায়। ইহঁতে যি দিয়ে পানীকেহে দিয়। কিন্তু নেপালীৰ মহৰ গাখীৰ একেবাৰেই বৰ বিহ। ইহঁতে এবাঁটৈক বেচাৰ লক্ষণ এয়েই যে আগদিনা আবেলি গাখীৰ খীৱাই যিমান চামনি উঠে (সৰ উঠে) সিমান বাৰ চামনি কাঢ়ে, বাকি গাখীৰ দৈ দিয়ে; পাছ দিনা তাতে অলপ এৰাঁ গাখীৰ ঢালি যথাসাধ্য পানী মিহলাই চাকৰৰ হাতত বেচিবলৈ পঠায়। চাকৰে লাভৰ প্ৰত্যাশাত বাটতে মানুহ নেদেখিলে খালৰেই বা নৰ্দ্দামাৰেই বা পুখুৰীৰে যৰে তৰে পানী কেতবিনি মিহলাই বাবুসকলক



বিশুদ্ধ গাখীৰ পাবলৈ হলে ঘৰত গৰু সুপুহিলে কোনোমতে আজিকালি দিনত বিশুদ্ধ গাখীৰ নাপায়। অকল ঘৰত গৰু পুহিলেই নহয়। আমি খাদ্য আহাৰ্য্যৰ বিষয়ে যেনেকৈ যত্ন ৰাখোঁ বিশুদ্ধ গাখীৰ পাবলৈ হলে গৰুৰ আহাৰৰ বিষয়ে সেই দৰেই চকু ৰাখিব লাগিব। নিৰ্দ্দোষী আহাৰৰপৰাহে নিৰ্দ্দোষী গাখীৰ ওলায়। প্ৰথমতে চাব লাগিব গৰুৱে যাতে বিষ্ঠা মূত্ৰাদি খাবলৈ নাপায়। কাৰণ বিষ্ঠা মূত্ৰাদিৰপৰা অনেক সংক্ৰামক ৰোগে বাহ লয়। মৰিশালিত মৰা গৰু মহ পেলোৱা ঠাইবিলাকত (যিবোৰ বেছিদিন পুৰণি হোৱা নাই) চৰিবলৈ দিব নালাগে সেই ঠাইবোৰত অনেক সংক্ৰামক ৰোগৰ বীজাণু থাকে। তৃতীয়তঃ গেলা পচা, বোকা পানী নৰ্দ্দমাৰ পানী খাবলৈ কেতিয়া দিব নালাগে। * জলীয় অংশৰপৰাই গাখীৰৰ জলীয় অংশৰ প্ৰায় ভাগ উৎপন্ন হয়।

গৰু যাতে নিৰোগী, সবল সুস্থ হয় সেই বিষয়ে চকু ৰাখি তেনেকৈ গৰুক আহাৰ দিব লাগে। কণীয়া, চেৰেলী এনে গৰুৰ গাখীৰ মহৎ অনিষ্টকাৰক। গৰুৰ গোহালিঘৰ প্ৰত্যেক দিনেই চাফ কৰি ৰখা উচিত। গৰুৰ যাতে টোপনিত ব্যাঘাত নহয় তাকো চাব লাগে। মানুহক যেনে, বিশুদ্ধ বায়ু লাগে গৰুকো লাগে।

গাখীৰেই যেতিয়া আমাৰ জীৱনৰ মূল, তেতিয়া গাখীৰ বিশুদ্ধ উপাদানৰপৰাই হোৱাহে যুগুত। সেই গাখীৰ দাতৃ গৰুৰ ওচৰত আমি কিমান কৃতজ্ঞ হব লাগে গুণ সকলে ভাবি চাওঁক। এতিয়াও হিন্দু মুনিসকলৰ আদৰ্শ মতে গো মাতৃক পূজা কৰিলে নিশ্চয় আগৰ তেজ আকৌ ভাৰতলৈ ঘূৰি আহিব। কাৰণ গাখীৰে দিব নোৱাৰা গুণ নাই।

আমি দিনে দিনে এনে লিৰিক-পিৰিক দুৰ্ব্বলী, চকুৰ দৃষ্টিহীন, কৰ্ত্তব্য কাৰ্য্যত অনিচ্ছাবান বুদ্ধিহীন হোৱাৰ কাৰণ কি? কেৱল শৰীৰক সৰ্ব্বাঙ্গ সুন্দৰকৈ তুলিব পৰা গাখীৰ পৰিমিতৰূপে খাবলৈ পোৱা নাই। যি অকণ পাইছোঁ সিও বিষ তুল্যহে। এই গাখীৰৰপৰা উপকাৰ হৰ ছাবি দিনে দিনে জীৱনী শক্তি লোপ হৈছে। তাৰ কাৰণ কি? কাৰণ এই প্ৰথমতঃ—আমি গৰু পুহিবলৈ এৰিলো। এৰাৰ কাৰণো অলেখ। পূৰ্ব্বৰ

এবং গাখীৰত লং কিম্বা দালচিনি কিম্বা ইলাচি দি তপতালে ৰোগীলৈ ৰুচিকৰ আৰু হিতকৰ।

গৰুৰ এবং গাখীৰ ৰসায়ন:—যষ্টিমধু চূৰ্ণ, মৌ, তপত এবং গাখীৰেৰে খালে বৃদ্ধৱস্থাতো যুবাৰ দৰে কাৰ্য্যক্ষম হয় (ভাতেৰে খোৱা উচিত)। ছাগলী গাখীৰত তিল বাৰেবাৰ তিয়াব লাগে শুকাব লাগে। এই তিল চূৰ্ণ ব্যৱহাৰ কৰিলে বাৰ্দ্ধক্যদোষ নজন্মে।

গৰু গাখীৰৰ সৰ মিচিৰিৰ লগত খালে শুক্ৰ বৃদ্ধি হয়, ধ্বজভঙ্গ নষ্ট হয়। বায়ু ৰোগত এই অনুপানেৰে মকৰধ্বজ খালে বায়ুলৈ উপকাৰ দৰ্শে। এক কথাত কবলৈ গলে, গৰু গাখীৰৰ নিচিনা অতি সহজে পোৱা জীৱনৰক্ষক, জীৱনী-শক্তি বৃদ্ধিকাৰক উপাদেয়বস্তু পৃথিৱীত দ্বিতীয় নাই। আমাৰ নিত্য আৱশ্যকীয় প্ৰধান আহাৰ এনে আচৰিত শক্তিশালী হেতুকেহে গাখীৰৰ কথা ইমান বহলাই লেখিলোঁ। পাঠক পাঠিকাই যেন আমনি নাপায়।

সৰামাইকীৰ প্ৰসৱৰ পাছত জাল দিয়াতো গাখীৰ নোলালে তলত দিয়া ঔষধি প্ৰয়োগ কৰাত অনেক উপকাৰ দেখা যায়।

১। পানীত এবিধ ওপঙ্গি নলা বাঢ়ি যোৱা কচু শাক আছে। সেই শিপা এমুঠি আনি চাচি চাক কৰি পানীত সুন্দৰকৈ সিজাব লাগে। তাৰ পাছত লোণ জালুক দি তেল মাৰি সেই আহাৰে দুই তিন দিন ভাত খালে পোৱাতী মাইকী হে নালাগে ১০।১২ বছৰ লৰা ছোৱালী হবলৈ এবা আদবয়সীয়া তিৰুতাবো পীয়াহ ওলায়।

২। মাইকীৰ গাখীৰতে বন এমুঠি লোন জালুক দি পাটত দি খালে গাখীৰ ওলাই। কিম্বা টুবুকী লতাৰ পাত লোণ জালুক দি পাতত দি খোৱা অনেক ঠাইত দেখা যায়।

৩। গৰৈ চেঙেলি মাছৰ লগত লোণ জালুক দি পনৰ্ন্নৱা ভাজি খুৱালেও গাখীৰ ওলায়।

গ্ৰহণী, তেজ গ্ৰহণীত গৰুৰ গাখীৰো তলত দিয়া মতে মহৌষধ। মাইকী পোৱালি হয়াৰো এক বৰ্ণ হোৱা বৰ ভাল।°

গৰুৰ গাখীৰ তপতাই চাঙ্গী টেঙ্গা (টেঙ্গেছিশাক) পাতত দি বা খুন্দি ৰস উলিয়াই সেই ৰস পাঁচ তোলা মান ঢালি গাখীৰ খিনি উনিহ তপত হৈ



গাখীৰ যোগায়। সেই গাখীৰ ভাবি চাওক বিহ হয় নে নহয়। বিক্ৰি নহোৱা খিনি ওলোটাই লৈ যায় আৰু সৰত মাখন কটা গাখীৰৰ পানীত মিহলাই নানা ভাঁজ দি দৈ কৰি থয়। কোনো সময়ত এই দৈ ৬.৭ মাহৰ মুৰতো বিক্ৰি হয়। ইয়াৰ ভিতৰৰ গুপ্ত লীলা কবলৈ গলে প্ৰবন্ধ গুচি কিতাপ এটা হবগৈ। বিশ্বনাথৰ গমীবিষাটিৰ নেপালী গাখীৰ দেখাই বুজিব পাৰিব। এই গাখীৰকে চাকি বাবুসকলক সেৰে ।০ অনা ।৴ অনাকৈ বেচে! এবিধ ওভোতালেও নপৰা গাখীৰ ।৵০ সেৰ ছিলটীয়াবিলাকে বিক্ৰি কৰে। সেই গাখীৰ প্ৰথমতে সেৰে দহতোলা হিঃ মিচিৰি গুৰি দি তপতাই তাৰ পাছত সৰু সৰু চপুৰাত ঢালে। অলপ গৰম হৈ থাকোতে সিইতৰ মছলা টেঙ্গা গাখীৰৰ পানী অকণ ঢালে। তাৰ পিছদিনা মুখত কেচা গাখীৰ অকণ দি পুৰাই থৈ দিয়ে। দিনচেৰেকৰ পাছত বিক্ৰি হয়। তাতো বিষাক্ত দ্ৰব্য মিহলি হয়।

বৰ্ত্তমান যুগত গাখীৰ এবাটৈ ব্যৱহাৰ কৰিবলৈ অনেক কৃত্ৰিম উপায়ে গাখীৰ আছে। সেই গাখীৰ আজিকালি দিনত অনেক পৰিমাণে বাবুসকলে ব্যৱহাৰ কৰে। সেই গাখীৰ অধিক তপতোৱা হয়। আৰু বহুদিন থকাত অনেক দোষ জন্মে। বিশুদ্ধ গাখীৰৰ উপাদান সেই গাখীৰত নাথাকে। যদি বিশ্বাস নকৰে তেন্তে "পৰিচৰ্য্যা শিক্ষা" নামেৰে, বাবু শ্ৰীনগেন্দ্ৰনাথৰ প্ৰকাশিত কিতাপৰ পথ্যত পঢ়ি চাওক। অধিকন্তু Air tight অৱস্থাত থাকোতে যেই হক সৰ্ব্বসাধাৰণতঃ খোলা অৱস্থাত আমাৰ দেশৰ নিচিনা গৰম দেশত বেগতে বিকৃত হয়। ১৮৩৭ শকৰ কাতি মাহৰ দ্বাদশ সংখ্যাৰ বাঁহীত এবাৰ এই বিষয়ে কিঞ্চিৎ কোৱা হৈছে।

যি হক গাখীৰৰ বিষয়ে জ্ঞান বুদ্ধি অনুসৰি যি কথা মনত খেলাইছিল, তাকে লিখা হল। বৰ্ত্তমান গাখীৰৰ ব্যৱহাৰৰ বিষয়ে দুটা কথা কব লগাত পৰিলোঁ।

প্ৰথমতে মাইকীৰ প্ৰসৱৰ পাছত লৰাক পিয়াহ দিবৰ আগতে অলপ গাখীৰ পীয়াহৰ পৰা চেপি উলিয়াই পেলাব লাগে। পাছতহে লৰাক পিয়াহ দিব লাগে। দুই এদিনলৈ যেই হওক লৰাক পিয়াহ দিয়া এটা বন্ধা সময় স্থিৰ কৰি লোৱা উচিত। আমাসত তৃতীয় দিনা জাল দিয়া প্ৰথামতে জাল দিলে

Numbering Error

গাখীৰ বাহিৰ হয়। তথাপি গাখীৰ নোলালে তলত লিখা মতে ঔষধি প্ৰয়োগ কৰা উচিত। ৯ মাহ পৰ্য্যন্ত মাতৃস্তন্য লবাৰ উপকাৰী। তাৰ পাছত পিয়াহ এক্কবাৰ লাগে। এবছৰ তকৈ অধিক দিন পিয়াহ দিয়া অনুচিত।

গৰুৰ গাখীৰ খীৰাই ফেণ মাৰ নৌ যাওঁতেই খোৱা বৰ উপকাৰী। ফেণ মাৰ গলে গৰম নকৰাকৈ খালে অপকাৰী। দৈ কৰিবলৈ গৰম কৰিব নালাগে। দৈগাখীৰতকৈ এৱা বেছি উপকাৰী। গৰুৱে খোকজুৱালে সেই গাখীৰ অপকাৰী। তেতিয়াৰেপৰা গাখীৰ খীৰাব নালাগে। প্ৰত্যুষতে খীৰোৱা গাখীৰ অতি ভাল। আবেলি খীৰোৱা গাখীৰত খাইৰ গুণ থাকে সেইকাৰণে সেই গাখীৰ খোৱাৰপৰা অপকাৰ আছে। মহৰ গাখীৰতকৈ গৰু গাখীৰ অনেক গুণে শ্ৰেষ্ঠ। নিৰ্দ্দোষী মহৰ গাখীৰত লৱণময়পদাৰ্থ বেছি থকা কাৰণে সুস্বাদু। শৰীৰৰ পক্ষে সিমান উপকাৰী নহয়।

গৰু গাখীৰৰ সাধাৰণ গুণঃ—সুমধুৰ, সুশীতল, পুষ্টিকাৰক কান্তি লাৱণ্য বৃদ্ধিকাৰক, স্নিগ্ধ, বায়ু প্ৰশামক, ৰক্তপিত্তনাশক, সকলো ৰোগৰ শান্তিদায়ক, শ্ৰান্তি নিবাৰক ইত্যাদি। কিন্তু ধাতু আৰু মল সম্বন্ধীয় ৰোগত কিঞ্চিৎ ক্লেদকাৰক। বৰ্ণ বিশেষে:—কলী গৰুৰ গাখীৰ ঘন সোৱাদ, বায়ুনাশক। হালধীয়া গৰুৰ গাখীৰ বায়ুপিত্তনাশক আৰু বগা গৰুৰ গাখীৰ যদিও গুৰুপাকী আৰু কফ-বৰ্দ্ধক তথাপি বাতপিত্ত আৰু বাতৰক্ত ৰোগত উপকাৰ কৰে। মহৰ গাখীৰ: গৰুগাখীৰতকৈ সোৱাদ, স্নিগ্ধ, শুক্ৰকাৰক, গুৰু, নিদ্ৰাকাৰক, অতিষ্যন্দী, ক্ষুধা বৃদ্ধিকাৰক, শীতল। ছাগলীৰ গাখীৰ:—কষায়, মধুৰ, শীতল, গ্ৰাহক, লঘু। ৰক্তপিত্ত, অতিসাৰ, ক্ষয়ৰোগ, জ্বৰ প্ৰভৃতিৰ পথ্য আৰু প্ৰায় সকলো ৰোগলৈকে ভাল।

গাখীৰৰ ফেণ:—ত্ৰিদোষঘ্ন ( বায়ু, পিত্ত, কফ) ৰোচক, ক্ষুধা বৃদ্ধি কাৰক, বৃষ্য, সদ্য তৃপ্তিদায়ক, লঘু। অতিসাৰ অগ্নিমান্দ্য জীৰ্ণজ্বৰলৈ উপকাৰী। কিন্তু মলবৰ্দ্ধক।

গাখীৰৰ সৰ:—গুৰু, শীতল, বৃষ্য, তৃপ্তিদায়ক, বৃংহন ( পুষ্টিকাৰক ) স্নিগ্ধ, বলকাৰক, শুক্ৰোৎপাদক, বায়ু, আৰু ৰক্তপিত্ত নাশক, কিন্তু কফজনক।



থাকোতে খাব লাগে। ই এটা ভাল দৰব। আৰু নেমুটেঙ্গা গোটেই পুৰি তাৰ ৰস উলিয়াই, কিম্বা দহিকচু চালি দহ টকামান লৈ কিম্বা এমুঠি তেতেলিৰ কোমল পাতত এক ৰতি আফীম দি পাতত দি তপত গাখীৰত ৰসটোপা চেপি দি উনি উনি তপততে খোৱাও বৰ উপকাৰী। নহলে কেচা ভীমকলত একৰতি কানি সুমাই কলটো পুৰি পাছদিনা পুৰা চালি তপত গাখীৰেৰে খালেও উপকাৰ হয়। ইত্যাদি বহুত মুষ্টিযোগত গাখীৰ ব্যৱহাৰ হয়।

---

## হৰিচৰণৰ বিয়া।

( ১ )

শূদ্ৰকন্যা ললিতাৰ লগত বিপ্ৰনন্দন হৰিচৰণ ভট্টাচাৰ্য্যৰ সৰুৰেপৰা মিল আছিল। দুয়ো একেলগে উমলিছিল, একেলগে ফুৰিছিল আৰু একেলগে শিক্ষা কৰিছিল। এনেকৈয়ে তেওঁলোকৰ বয়সৰ লগে লগে ঘনিষ্ঠতা বাঢ়ি আহিবলৈ ধৰিলে, দুয়োৰে অন্তৰাত্মাৰ মাজত কিবা এটা বৈদ্যুতিক আকৰ্ষণ শক্তি নিহিত হ'ল। আন্তৰিক সম্বন্ধ থকা দুটা ভৌতিক পদাৰ্থ গোট খাই এটা ৰাসায়নিক পদাৰ্থত পৰিণত হবলৈ ব্যগ্ৰ হোৱাৰ দৰে এই দুটি আত্মাও মিলনৰ অভিলাষত আলোড়িত হবলৈ ধৰিলে। ই কিবা হঠাৎ উদয় হোৱা জন্মান্তৰৰ সৌৰৱণিৰ কাৰণে নাইবা পদাৰ্থবিজ্ঞানৰ কোনো নিয়মমতে হৈছিল কব নোৱাৰোঁ, কিন্তু আকৰ্ষণটো যে সময়ৰ লগে লগে বাঢ়ি আহিছিল সি নিশ্চয়।

( ২ )

হৰিচৰণ এতিয়া এজন ধুনীয়া ডেকা। লিখা পঢ়াত, সাংসাৰিক কাৰ্য্যত আৰু পৰোপকাৰাদি সকলো কামত আদৰ্শস্বৰূপ। সংস্কৃত, ইংৰাজী আৰু অসমীয়া সাহিত্যত ভাল ব্যুৎপত্তি আছে, দেশৰ কল্যাণ সাধনত জীৱন উছৰ্গা কৰিবলৈকো প্ৰস্তুত। কিন্তু ইমানবোৰ সদগুণ থকাতো বহুত মানুহে তেওঁক

ভাল নাপায়। কাৰণ, তেওঁৰ মূৰত টিকনি নাই, কপালত ফোট নাই, উপবীত বিহীন জাতিৰ লগত এফে আসনতে বহে, জোতাৰ ভৰিৰে পানী— পানী কিয় জলপানো খায়। প্ৰেমৰ বিষয়তো তেওঁ শকটত উপস্থিত। তেওঁ প্ৰাণেৰে সৈতে ভাল পায় শূদ্ৰ-কন্যাক। সঁচাকৈয়ে শকুন্তলাৰ প্ৰতি দুষ্যন্তৰ, দময়ন্তীৰ প্ৰতি নলৰ, জুলিয়েট প্ৰতি ৰোমিওৰ ভাল পোৱা যেনে আছিল, ললিতাৰ প্ৰতি হৰিচৰণৰ ভাল পোৱা তাতকৈ কোনো গুণেই কম নাছিল। পাৰ্থক্য মাথোন এয়েই যে তেওঁলোকে হা-হুমুনিয়াহ কাঢ়িছিল, মূৰ্চ্ছা গৈছিল আৰু কেতিয়াবা উন্মাদ হৈছিল, কিন্তু হৰিচৰণ নিশ্চল। বহু তো ডাঙৰ মানুহে তেওঁক ছোৱালী যাচিছিল, কিন্তু কোনো প্ৰস্তাৱতেই তেওঁ মান্তি নহল।

ইফালে ললিতা। আহা! কি সুন্দৰী গাভৰু! কি মনোহৰ সুঠাম শৰীৰ! খোজ কঢ়াত, কথা কোৱাত কেনে-লগা! পিন্ধাউৰাত, খোপা-বন্ধাত কেনে পৰিপাটী অথচ সৰল! বন্ধা-বঢ়াত বোৱা-কটাত কোনে আৰ ধৰে? সঁচাকৈয়ে ললিতা সুন্দৰী। আন সুন্দৰীৰ লগত এয়েই মাথোন অমিল যে তেওঁৰ কথাই কথাই মিচিকীয়া হাঁহি মৰা অভ্যাস নাই; নতুন মানুহক বাৰ জুমি চোৱাৰ কৌতূহল নাই; নিজৰ ৰূপ-গুণৰ প্ৰদৰ্শনী পাতিবলৈ আগ্ৰহ নাই আৰু নাই কোনো বিষয়তে বাহ্যিক আড়ম্বৰ। তেওঁৰ পানি-প্ৰাৰ্থী কাকো গ্ৰহণ কৰিবলৈ তেওঁ মান্তি নহল। বাপেকেও কন্যাৰ মততেই ভৰ দিলে। সুখৰ বিষয় ললিতাৰ বাপেক লক্ষীধৰ যেনেতেনে পাত্ৰত কেচুৱা ছোৱালী অৰ্পণ কৰি হাড়নাল আতৰোৱা বিধৰ মানুহ নাছিল। হায়! যদি আটাই-বোৰ বাপেকিয়েই তেনে হলহেঁতেন!

( ৩ )

এই দৰেই গ'ল বছৰ চেৰেক। ললিতা আৰু হৰিচৰণ দুয়োৰে যৌবন ভৰপুৰ; দুয়ো অবিবাহিত; দুয়ো দুইকো প্ৰাণৰে সৈতে আৰাধনা কৰে; কিন্তু কাৰ্য্যত: দুয়ো নিমাত। এজনেও ইজনৰ আগত কেতিয়াও এই বিষয় উলিওৱা নাই, কোনেও কাকো দোষাৰোপ কৰা নাই। দুয়োৰে দেখা হলেও সক কালত হোৱাৰ দৰেই হৈছিল তাত কোনো আকাঙ্ক্ষাৰ ছাঁ পৰা নাছিল, বচনাৱলী বাসনাৰাগৰঞ্জিত হোৱা নাছিল। দুয়োৰে মুখ প্ৰফুল্ল, প্ৰশান্ত....



সুন্দৰ। আন প্ৰেমিক-প্ৰেমিকা হোৱা হলে, চকু-লোৰে কাপোৰ তিয়ালে হেঁতেন, কামত অনিচ্ছা দেখুৱালেহেঁতেন, লাগে যদি মাজ ৰাতি শোৱাৰ পৰা উঠি বিদেশী হলহেঁতেন নাইবা ডিঙিত জৰি লগাই চটিত ওলমি থাকিল হেঁতেন। কিন্তু ক'তা! তেওঁলোকৰ তো তেনে ভাবৰ উমঘামেই নাই। কাৰণ...তেওঁলোকৰ ভালপোৱা আচল,...খাঁটি সোণ। তাত বাসনা চৰিতাৰ্থৰ পিতল মিহলি নাই; সেইদেখি পাৰ্থিব আকৰ্ষণে তাৰ গতিত ব্যাঘাত জন্মাব নোৱাৰে।

( ৪ )

হৰিচৰণ ব্ৰাহ্মণ, ললিতা শূদ্ৰকন্যা। তেওঁলোকৰ পৰিণয় হলে যে ভবিষ্যৎ বেয়া হব; তেওঁলোকৰ সন্তান যে পাৰশৱ বা নিষাদ হব লাগিব? কিন্তু হৰিচৰণে ভাবে আন ৰকমে; তেওঁৰ বিবেকে কয়, স্বভাৱৰ নিয়মে সৃচাই দিয়ে, অতীতৰ বুৰঞ্জীয়ে অনুমোদন কৰে যে ললিতাৰ বাহিৰে আনৰ লগত তেওঁৰ মিলন হোৱা অসম্ভৱ আৰু অনুচিত। সমাজেই বা বেয়া বুলিব কিয়? নিষাদ কৰ্ণক তো ব্ৰাহ্মণসকলে পূজা নকৰাকৈ নাছিল; মৎস্যজীৱী কন্যা সম্ভূত ব্যাসদেৱে দেখোন ব্ৰাহ্মণসকলৰ শীৰ্ষস্থান অধিকাৰ কৰিছিল। তেনেহলে যি সমাজে তেওঁক ঘৃণা কৰিব তেওঁ সেই সমাজক ঘৃণা নকৰিব কাৰণ কি? তেনে সমাজৰপৰা আঁতৰি পাৰিলে তাৰ আৱৰ্জ্জনাবোৰ সৰাই পেলাবলৈ চেষ্টা কৰাহে তেওঁৰ কৰ্ত্তব্য। তেওঁ স্থিৰ কৰিলে যদি লক্ষীধৰে আপত্তি নকৰে তেন্তে তেওঁ ললিতাক বিয়া কৰাব।

সেই মতেই প্ৰস্তাৱ হ'ল। লক্ষীধৰে হৰিক মাতি নি সেই বিবাহৰ পৰিণাম কি হব পাৰে, তাক ভালকৈ বুজাই কলে।

হৰিয়ে কলে, "মই সকলো কথা ভাবি চাইহে এই প্ৰস্তাৱ কৰিছোঁ। সমাজৰ কুৰুচ নীতিৰ বশৱৰ্ত্তী হৈ থাকিব নোৱাৰিলেই মানুহে কিছু কষ্ট পায়। কিন্তু আমি ভৱা উচিত যে সমাজে মানুহক সদাই একেটা সাঁচতে গঢ়ে মাথোন। আন ফালে অনন্ত উন্নতিশীল মানৱাত্মাৰ উন্নতি অনিবাৰ্য্য। সেই কাৰণে মানুহৰ উন্নতি হলেই সমাজৰো উন্নতি হোৱাৰ আৱশ্যক হয়। একেদিনে নহয় বহুত দিনে তো হব। আমাৰ কাৰ্য্য-কলাপ, শিক্ষা-দীক্ষা সকলো সীমাবদ্ধ ৰাখি কূপমণ্ডূক হৈ চিৰকাল জীৱন কটোৱা সমাজৰ অস্তিত্বও অমঙ্গলৰ

নিমিত্তেহে। মই তেনে সমাজত থাকিব নোখোজোঁ। তাৰ বাবে যদি কিবা কষ্ট সহিব লাগে তাৰ নিমিত্তে প্ৰস্তুত আছোঁ।”

হৰিচৰণৰ সৎসাহ দেখি লক্ষ্মীধৰে সন্তোষ পালে আৰু হৰিৰ প্ৰস্তাৱত ললিতাৰ মত কি সুধি পঠিয়ালে। ললিতাই বৰ মনেৰে সম্মতি দিলে। সেই দিনাৰেই বিবাহৰ বন্দৱস্ত হৈ গ'ল।

( ৫ )

হৰিচৰণ আৰু ললিতাৰ বিবাহৰ বন্দৱস্তৰ কথা চাৰিওফালে জনাজাত হৈ পৰিল। সকলোৱে সেই একেটা কথাকে আলোচনা কৰিবলৈ ধৰিলে। ব্ৰাহ্মণ সমাজে মেলপাতি দুজনমান প্ৰতিনিধি পঠিয়াই হৰিক ভয় দেখুৱালে; শূদ্ৰ-বিলাকেও তেওঁক ইতিকিং কৰা হ'ল। কিন্তু তেওঁ তেওঁৰ প্ৰতিজ্ঞাত অটল হৈ থাকিল।

হৰিচৰণৰ পিতাক নাই। মোমায়েকে খবৰটো শুনি এদিন আবেলি পৰত হৰিৰ ঘৰ পালেহি। হৰিয়ে আদৰ সাদৰেৰে মোমায়েকক বহিবলৈ দিলে।

মোমায়েকে ক'লে।—মই তোৰ ঘৰত বহিব নোৱাৰোঁ। কিয়নো মই শুনা কথা সঁচা যদি তোৰ সৈতে মোৰ কোনো সম্বন্ধ নাই।

হৰি।—কি কথা মোমাইদেউ ?

মোমায়েক।—তই বোলে লক্ষ্মীধৰৰ সেই ধৰতে বুঢ়ী হোৱা ছোৱালীজনী বিয়া কৰাবলৈ ওলাইছ ?

হৰি।—এৰা, এক ৰকম ঠিক হৈছে।

মোমায়েক।—সঁচাকৈয়ে তই এনে কাম কৰিবলৈ ওলাইছ! ছি! ছি! মানুহৰ আগত নাক উলিয়াবলৈ তোৰ লাজ নালাগে ? তই নিজে যি অধঃ-পাতে গলি, তোৰ পিতৃকুল মাতৃকুলকো নৰকলৈ নিয়ালি। মই বুজিছোঁ, সেই গুৰু ব্ৰাহ্মণ নমনা পাষণ্ড লক্ষ্মীধৰে তোক কিবা আহদি খুৱালে।

হৰি।—তেওঁ গুৰুব্ৰাহ্মণক নামানে বুলি কোনে ক'লে ? যি সঁচাকৈয়ে ব্ৰাহ্মণ তেনে মানুহক তেওঁ মানে। যি ক'ৰ চুক চিনি নাপায়, গায়ত্ৰীৰ মানে নুবুজে, অথচ সুপস্থকৈ গোৱা কিছুমান মন্ত্ৰ ভুলকৈ মাতি টকাচেৰেক দক্ষিণা লৈ যজমানৰ অহিত চিন্তি আছে তেনে মানুহক বামুণ বুলি তেওঁ মানিব কিয় আৰু মইয়েই বা মানিম কিয় ? সিদিনা তুমি মোক হাকিমৰ জীয়েকক বিয়া



কৰাবলৈ ধৰিছিলা, আৰু কৈছিলা যে এজন সদ্‌ব্ৰাহ্মণ কিন্তু মই কওঁ তেওঁতকৈ অব্ৰাহ্মণ কোনোৱেই হব নোৱাৰে। খাসী-পাঠাৰ ভেটি খাবলৈ পালে তেওঁ দোষীক নিৰ্দ্দোষী আৰু নিৰ্দ্দোষীক দোষী কৰাটো মই নিজেই জানো।

মোমায়েক।—সেই পাপিষ্ঠই তোক একেবাৰেই মুহিলে, তই শূদিৰ-শৰণীয়া হলি।

হৰি। দৰকাৰ হলে হমেই। আগেয়েও ব্ৰাহ্মণ-শ্ৰেষ্ঠ ঋষিসকলে ব্ৰহ্মজ্ঞান শূদ্ৰিজনকৰ পৰাহে শিকিছিল। মনুৱেও তেনে শিক্ষাৰ বিধি দিছে আৰু মোৰ বিবাহো অনুমোদন কৰিছে, আমাৰ শ্ৰুতি-স্মৃতিত মহা পণ্ডিতসকলে বোধ কৰোঁ পোৱা নাই যে মনুৰ মতেই—“শ্ৰদ্দধানঃ শুভাং বিদ্যামাদদীতাৱ-ৰাদপি। অন্ত্যাদপি পৰং ধৰ্ম্মং স্ত্ৰীৰত্নং দুষ্কুলাদপি।” (২।২৩৮)।

( ৬ )

যথাসময়ত বিয়াৰ আয়োজন হল। নিমন্ত্ৰিতসকলৰ ভিতৰত কিছুমান শিক্ষিত ডেকা মাথোন উপস্থিত আছিল। হৰিচৰণে সকলোকে সম্বোধন কৰি কবলৈ ধৰিলে।—বন্ধুসকল! আজি আপোনাসকলৰ এই মহানুভাৱতা দেখি মই সঁচাকৈয়ে আনন্দ পাইছোঁ। আশা কৰোঁ, আপোনাসকলৰ এই সহানু-ভূতি আন্তৰিক। আপোনালোকে আজি মোৰ বিবাহত যোগ দিয়াটো মোৰ সৌভাগ্য; কিন্তু ইয়াৰ পিছত সমাজে আপনালোকক দণ্ড দিবলৈ চেষ্টা কৰিব পাৰে; সভা-সমিতি পাতি আপোনালোকক সমাজচ্যুত কৰিবলৈ আগ বাঢ়িব পাৰে। সেই কাৰণে, যদি আপোনালোকৰ কোনোবাই তেনে সমাজলৈ ভয় কৰিও বন্ধুতাৰ খাটিৰতহে আহিছে, তেন্তে মই মোৰ কাৰণে তেওঁক দণ্ডনীয় কৰিব নোখোজোঁ। আৰু যদি সঁচাকৈয়ে মোৰ কাৰ্য্য যুক্তিযুক্ত বুলি ভাবিহে আপোনাসকল আহিছে, তেন্তে আহক আজিৰেপৰা আমাৰ নতুন সমাজ গঠন কৰোঁ। তাৰ প্ৰথম পাতনি-স্বৰূপে আজি জাতি-বৰ্ণ-নিৰ্ব্বিশেষে সকলোৱে একেলগে একে পৰিয়ালৰ মানুহৰ দৰে জলযোগ কৰক।

সকলো মান্তি হ'ল। সকলোৱে প্ৰতিজ্ঞা কৰিলে যে তেওঁলোকে আজি যি সমাজ পাতিলে, গোটেই বিশ্ব-ব্ৰহ্মাণ্ড বিপক্ষে থিয় দিলেও তাক ভাঙিবলৈ প্ৰস্তুত নহয়। তেওঁলোকৰ কথা শুনি হৰিচৰণ আনন্দত আপ্লুত হল। তাৰ

পাহত সকলোৱে একেলগে একে ঠাইতে বঙ্গে খেমালিয়ে থাইবৈ দবাব জগত কন্তাৰবলৈ বাট ললে।

(৭)

যথাৰতে বিবাহ সমাধা হৈ গ'ল। ললিতা আৰু হৰিচৰণৰ দুটি আত্মা এটি হৈ অনন্ত পৰমাত্মাক লক্ষ কৰি ধাবমান হল। দুয়োৰে মনত বিমল আনন্দ পৰম সন্তোষ। আশা কৰোঁ, তেওঁৰ বন্ধুসকলে প্ৰতিজ্ঞাতে স্থিৰ থাকি, আৰু আনন্দ দিব. আৰু বিশ্ব-প্ৰেমৰ এজোপা সুগন্ধি ফুল ফলাই জগতবাসীক সৌৰভ বিতৰণ কৰিব।

---

# বিয়ানাম।

(অধিবাসৰ পূৰ্ব্বে কইনাক নোৱাই উঠি গোৱা নাম।)

অ স্নান কৰি ৰুক্মিণীয়ে ধ্যান ধৰি আছে।
পত্ৰ লেখি ৰুক্মিণীয়ে বেদনিধিক পাছে॥
যোৱাঁ গুৰু বেদনিধি এ দ্বাৰকাৰ পথে।
পত্ৰ পালে আপুনি আসিব জগন্নাথে॥

ৰাম ৰাম মোৰ প্ৰাণদান দিয়াঁ গুৰুদেৱ মোৰ প্ৰাণদান দিয়াঁ।
দ্বাৰকাৰপৰা প্ৰভুক আনি দিয়াঁ জুৰাওক আমাৰ হিয়া॥
ঐ চৰণতে ধৰি মাতোঁ কাবো কৰি, দ্বাৰকালৈ চলি যোৱাঁ।
অধম শিশুপালক স্বামী মই নকৰোঁ, কৃষ্ণচন্দ্ৰক আনি দিয়াঁ॥
শীঘ্ৰ চলি যোৱাঁ হে গুৰুদেৱ, কাইলৈ আহিবা ঘূৰি।
কৃষ্ণৰ বিহনে জীৱন নৰহে, মৰিবোঁ অ'তি পুৰি॥

অ মোৰ নিবেদন গুৰুৱে প্ৰভুতে জনাব।
যেনেতেনেৰূপে আসি মোক হৰি নিব॥

অ বেদনিধি গুৰু তুমি এ কাৰ্য্য কৰাঁ সিদ্ধি।
দ্বাৰকাত বাৰ্ত্তা দিয়াঁ আহক গুণনিধি॥
বেদনিধি ব্ৰাহ্মণক এ ধন বস্ত্ৰ দিয়া।
পত্ৰ লিখি গুপ্তভাৱে দিলন্ত পঠায়া॥



শুভক্ষণে যাত্ৰা কৰি এ দ্বাৰকালৈ যোৱাঁ।
প্ৰভুৰ হাতত মোৰ প্ৰেমপত্ৰ দিয়া॥

শিব সত্য সত্য কমি জনাবা বাতৰি, মই প্ৰভুৰেসে দাসীহে।
ঐ ভাই ৰুক্মবীৰে বিথিনি পাতিছে, মোক হৰি নিয়ক আসি হে॥

অ তাহান কাৰণে মোৰ বিয়াকুল প্ৰাণ।
শীঘ্ৰে আসি মোক যেন কৰে পৰিত্ৰাণ॥
শিশুপাল বজাৰ মই ছাঁয়াত নিদিওঁ ভৰি।
মোক বিয়া কৰাই নিয়ক প্ৰভুদেৱ হৰি॥
যদি শ্ৰীহৰি মোক নকৰায় বিয়া।
তেওঁৰ হস্তে মৰিবোহোঁ তিৰী বধ দিয়া॥

শ্ৰীপদ্মাৱতী দেবী ফুকননী।

---

# চমু মন্তব্য।

গল্পাঞ্জলি। গল্পৰ কিতাপ। শ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী প্ৰণীত। বেচ ১৲ এটকা। গোস্বামীয়ে তেওঁৰ "নিবেদনত" লিখিছে "লিখকৰ দুটা এটা গল্প মাজে মাজে মাহিলী আলোচনী কেইখনত প্ৰকাশ হৈছিল। সেই বোৰৰ পৰা বাৰটা গল্প বাছি কিতাপ আকাৰত প্ৰকাশ কৰা হল। ই পাঠক সকলৰ তৃপ্তিপদ হলেই লিখকৰ পৰিশ্ৰম সাৰ্থক হব।" আমি কওঁ, গল্পবোৰ আমাৰ নিশ্চয় তৃপ্তিপদ হৈছে, আৰু তেওঁৰ পৰিশ্ৰম সাৰ্থক হৈছে। গোস্বামীদেৱৰ কিতাপৰ ভাষা, আসামত প্ৰচলিত Standard গুৱলা ভাষা, তেওঁ কোনো কোনো মইমতীয়া ডেকাৰ দৰে অসাধ্য সাধন কৰিবলৈ নগৈ প্ৰচলিত "ষ্টেণ্ডাৰ্ড" ভাষাত ৰচনা কৰাবাবে তেওঁৰ সুবুদ্ধিৰ শলাগ নলৈ নোৱাৰি। তেওঁৰ লেখিবৰ গঢ় ভাল; প্ৰত্যেকটো গল্পত তেওঁৰ হিয়াৰ লেখনীৰ সুনিপুন ৰেখা (fine touch) পৰি গল্পবোৰ জীপ পাই উঠিছে। গোস্বামী দেৱে আৰু লেখক, আৰু তেওঁৰ গুৱলা "পানিপথ" উপন্যাস ছপাওক এয়ে তেওঁৰ ওচৰত আমাৰ নিবেদন।

নিমন্ত্ৰণ। খেমেলিয়া নাট। শ্ৰীযুক্ত পদ্মধৰ চলিহা প্ৰণীত। লেখকে

পাতনিত কৈছে, "নাটকখন খেমেলীয়া হক বুলিয়েই লিখা হৈছে; কিন্তু এতিয়া পাঠকক নাইবা দৰ্শকক হঁহুৱায়েই নে কন্দুৱায়, হাঁহিওৱায়েই নে হাঁচিওৱায় সেইটো কোৱা অসম্ভৱ।" আমাৰ নিজৰ কথা ইয়াকে কব পাৰোঁ যে আমি হলে কিতাপখন পঢ়ি হাঁহিছোঁহে; হাঁহি হেকটি, নাইবা হাঁচি এতিয়াও আহা নাই, ভাবুনা-থৰত কেতিয়াবা বহি দেখিবৰ সুবিধা হলে, হাঁহিয়েইহে আমাৰ ওচৰলৈ আহিব বুলি ভাবিছোঁ।"

---

## গীত।

বিতৰ। শান্তি মঙ্গলময়, কৰ হে প্ৰভু কৰুণা দান,
আমাৰ ৰজাক কুশলে ৰাখক, মিলিত কণ্ঠে উঠিছে তান॥
বিষাদ দৈন্য দুখ যাতনাৰ হাহাকাৰে পাকি হিয়াতে লয়,
নিৰাশা কালিমা, অশান্তি-আন্ধাৰ চিৰকাললৈ বিদায় হয়,
পুণ্য কিৰণে জিলিকি উঠক, সমীৰে মিলন বাতৰি দিয়ক,
ফুল হৰষে, প্ৰেম পৰশে, ধৰক জগতে শান্তিৰ গান॥
বিতৰ। শান্তি—
ঘৰে ঘৰে শুনা কান্দোনৰ ৰোল, শোকে দুখে সবে কাতৰ প্ৰাণ,
তথাপি উচ্চাহে, নিৰ্ভয় অন্তৰে, ৰাখিছে কেনেনো নিজৰ মান,
চোৱা কেনে হেৰা ভীষণ ৰণত, তুচ্ছ কৰি প্ৰাণ যুঁজে হৰষত,
গোৰ্খা শিখৰ গৰিমা গীতি, বিশ্বে কৰিছে জীৱন দান॥
বিতৰ। শান্তি মঙ্গলময়—
আহা, সকলোৰে ৰজাক আমাৰ শক্তি অনুসৰি সহায় দিও,
পাপৰ অসুৰ ভীষণ ছবিটি, একেবাৰে হেৰা, দূৰতে থও,
গৌৰৱেৰে যেন জিলিকি উঠক, যশৰ জেউতি বিয়পি পৰক,
মুক্ত কণ্ঠে মুক্ত প্ৰাণে, গোৱাহে ৰজাৰ মঙ্গল গান॥
বিতৰ। শান্তি—

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা।

---

"Our day" ৰ উৎসৱত ডিব্ৰুগড়ৰ নাট্যসমাজত গোৱা হৈছিল।